# জোনাক

## ডিজিটেল আলোচনী

প্ৰথম বছৰ ঃ প্ৰথম সংখ্যা
প্ৰকাশ ঃ ডিচেম্বৰ, ২০২৫

অসমীয়া বিভাগ
ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়
মালিগাঁও, গুৱাহাটী- ১১

# জোনাক

**জোনাক** ঃ অসমীয়া ভাষা- সাহিত্য-সংস্কৃতি বিষয়ক ছমহীয়া  ডিজিটেল আলোচনী। অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।





প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২৫

স্বত্ব ঃ অসমীয়া বিভাগ, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

বেটুপাত ঃ অংকুৰ ডেকা (অতিথি)


অলংকৰণ/অংগসজ্জা পৰিকল্পনা ঃ ৰত্নেশ্বৰ মিলি

অক্ষৰ বিন্যাস ঃ ড° লুনা বৰা

অসমীয়া বিভাগ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

মালিগাঁও, গুৱাহাটী-১১

# জোনাক




## সম্পাদনা সমিতি

**উপদেষ্টা** ঃ ড° অমৰেন্দ্ৰ কলিতা, অধ্যক্ষ


**মুখ্য সম্পাদক** ঃ ড° ৰত্নেশ্বৰ মিলি, ড° বিজয়া বড়া

**সম্পাদক** ঃ ড° লুনা বৰা, কৰিশ্মা তালুকদাৰ

**সদস্য** ঃ বৰষা কলিতা
শিখামণি দাস
ভণিতা দেৱী
মৃণাল দাস
মৃন্ময় শৰ্মা

*ছমহীয়া ডিজিটেল আলোচনী*
*প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২৫*

# জোনাক




## উচৰ্গা

**অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ ...**



**জন্ম ঃ ১৮-১১-১৯৭২, মৃত্যু ঃ ১৯-০৯-২০২৫**

*ছমহীয়া ডিজিটেল আলোচনী*
*প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২৫*



# শুভেচ্ছা আৰু প্ৰেৰণা

ড° অমৰেন্দ্ৰ কলিতা
অধ্যক্ষ

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে লগ লাগি ডিজিটেল মেগাজিন এখন প্ৰকাশ কৰিবলৈ উদ্যোগ লৈছে। এই কথা জানি যথেষ্ট সুখী হৈছোঁ আৰু তাৰ বাবে বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক শুভেচ্ছা জনাইছোঁ।

অসমীয়া সাহিত্য, সংস্কৃতিৰ বিকাশত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভুমিকা লৈ আহিছে। এইক্ষেত্ৰত ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়েও বৰঙণি যোগাই আহিছে। এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা শিক্ষকসকলে সাহিত্য আৰু সংস্কৃতিৰ প্ৰসাৰত আগভাগ লৈ আহিছে। মহাবিদ্যালয়ৰ প্ৰকাশনৰ দিশত এই বিভাগৰ যথেষ্ট অৰিহণা আছে।

অতি সম্প্ৰতি ডিজিটেল মাধ্যমৰ অভূতপূৰ্ব উন্নয়ন ঘটিছে। এই উন্নয়নে সমাজৰ প্ৰতিটো ক্ষেত্ৰকে চুই গৈছে। তেনে এক অৱস্থাত মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ‘জোনাক’ নামেৰে ডিজিটেল মেগাজিন এখন উলিয়াব লোৱা কথাই শিক্ষকসকলৰ সমাজ বাস্তৱ চেতনা প্ৰকাশ কৰিছে। মই আশা ৰাখিছোঁ অসমীয়া বিভাগৰ প্ৰতিগৰাকী শিক্ষকে নিজাববীয়াকৈ সাহিত্য, সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখি ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শ হৈ থাকিব। ছাত্ৰ-ছাত্ৰীসকলক ধনাত্মক দিশত অনুপ্ৰেৰণা যোগাব পৰা কথাটোতে শিক্ষকসকলৰ কৰ্ম জীৱনৰ সফলতা নিৰ্ভৰ কৰে। আশা কৰোঁ শিক্ষকসকলে এই দিশত সদায় সচেতন হৈ থাকিব আৰু ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগাই যাব।

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মহাবিদ্যালয়ত পঢ়া দিনবোৰ সুখকৰ হ’বলৈ হ’লে নিৰ্দিষ্ট বিষয়ৰ পঢ়া-শুনাৰ উপৰি অন্যান্য কামত জড়িত হোৱাৰ সুযোগ পাব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক বিভাগটোক নিজৰ পৰিয়ালৰ দৰে বিবেচনা কৰি কামবোৰত আগভাগ ল’ব লাগিব। আশা কৰোঁ অনাগত দিনত ডিজিটেল মেগাজিনখন নিয়মীয়াকৈ প্ৰকাশ পাই থাকিব আৰু এই কাৰ্যই বহুতকে জীৱনৰ বাটত সহায় কৰিব।■



# আগলি আযাৰছেৰেক

**ড° ৰত্নেশ্বৰ মিলি**
মুৰব্বী, অমীয়া বিভাগ

প্ৰতিষ্ঠা কালৰে পৰাই ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এক সুকীয়া মৰ্যাদা আৰু পৰিচয় আছে। বিভাগটোৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যায়তনিক দিশত সফলতা অৰ্জন  কৰাৰ লগতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কবি, গল্পকাৰ, নাট্যকাৰ আৰু প্ৰাবন্ধিক হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁলোকৰ সফলতাৰ আঁৰত বিভাগটোত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে বছৰে বছৰে যোগাত্মক পৰিৱেশ ৰচনা কৰি ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টি কৰ্মত আত্মনিয়োগ কৰিব পৰাকৈ উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা নিৰন্তৰ প্ৰয়াস জড়িত হৈ আছে।ছাত্ৰ -ছাত্ৰীসকলৰ ভাৱ-আৱেগ-অনুভূতি কৰ্ষণৰ উৰ্বৰ ভূমি সদৃশ পৰিক্ষেত্ৰ হৈছে বিভাগটোৱে প্ৰতিবছৰে প্ৰকাশ কৰা ISSN যুক্ত বাৰ্ষিক পত্ৰিকা ‘সোঁৱৰণী’ আৰু বছৰত দুবাৰকৈ প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা ‘জোনাকী’। ছাত্ৰ-ছাত্ৰীসকলে অধিক পৰিমাণে বৌদ্ধিক আৰু মানসিক বিকাশ সাধন কৰি প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰাৰ উদ্দেশ্যে অসমীয়া বিভাগে এইবাৰ (ডিচেম্বৰ, ২০২৫) “জোনাক” শীৰ্ষক এখন ছমহীয়া ডিজিটেল আলোচনী প্ৰকাশ কৰিবলৈ লৈছোঁ। আলোচনীখনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিৰ বীজ অংকুৰিত হওক আৰু তেওঁলোক একো একোজন নিজ ভাষা-সাহিত্য-সংস্কৃতিৰ ধাৰক বাহক হওক লগতে সময় বালিত খোদিত কৰা প্ৰতিভা-ভাস্কৰ্য হওক পূৰ্ণিমাৰ জোন, তাৰেই কামনাৰে—

জোনাকৰ পৰাই আৰম্ভ হওক
তোমালোকৰ শুভ যাত্ৰা
এই যাত্ৰা হওক আকাশী যাত্ৰা
এই যাত্ৰা হওক জোনাকী যাত্ৰা
পৃথিৱীত উপচি পৰক তাৰ সফল বাৰ্তা

জোনাকেই হওক তোমালোকৰ
সৃষ্টি কৰ্ষণৰ ভৰপক আঘোণৰ পথাৰ

# জোনাক

কবিতাৰ ছন্দ অলংকাৰ প্ৰতীক চিত্ৰকল্পবোৰ
গল্পৰ গোলপীয়া গোন্ধ পুষ্প গুঞ্জনবোৰ
উপন্যাসৰ কাহিনী সংলাপ আৰু মানুহবোৰ
প্ৰবন্ধৰ শৈল্পিক বাকচাতুৰ্যৰ স্থাপত্য-ভাস্কৰ্যবোৰ
কঠীয়া হৈ গজি মন মগজুত শিপাওক সাগৰৰ গভীৰতা আকাশৰ উচ্চতা

জোনাকৰ পৰাই আৰম্ভ হওক
তোমালোকৰ শুভ যাত্ৰা

শেষত, বিভাগীয় ডিজিটেল আলোচনী প্ৰকাশৰ দিহা-পৰামৰ্শ দি আমাক বাধিত আৰু অনুপ্ৰাণিত কৰাৰ লগতে "শুভেচ্ছা আৰু প্ৰেৰণা" শীৰ্ষক লেখাৰে আলোচনীখনৰ সৌষ্ঠৱ আৰু মান বৰ্ধন কৰাৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ ড° অমৰেন্দ্ৰ কলিতা মহোদয়লৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ বেটুপাত কাব্যিক আৰু ব্যঞ্জনাময়তাৰে অৰ্থপূৰ্ণভাৱে সোণত সুৰগা চৰাকৈ আঁকি আমাক পৰম উৎসাহিত কৰাৰ বাবে বিশিষ্ট লেখক, কলা সমালোচক আৰু চিত্ৰশিল্পী অংকুৰ ডেকালৈ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ। আমাৰ অনুৰোধমৰ্মে প্ৰকাশ কৰিবলৈ কবিতা দি সহযোগিতা প্ৰদান কৰাৰ বাবে বিশিষ্ট কবি সমীন্দ্ৰ হুজুৰিলৈ ধন্যবাদ আৰু আন্তৰিক শলাগ যাঁচিলোঁ। আলোচনীখনত প্ৰকাশৰ বাবে লেখা দিয়া আৰু যৎপৰোনাস্তি সহযোগিতা প্ৰদান কৰা বিভাগৰ শিক্ষক, অধ্যয়নৰত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক মৰম আৰু শুভাশিস জ্ঞাপন কৰিছোঁ। ধন্যবাদ।■

*ছমহীয়া ডিজিটেল আলোচনী*
*প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২৫*


## সম্পাদকীয়

জন্ম জীৱনৰ আৰম্ভণি হ'লেও মৃত্যু জীৱনৰ শেষ নহয়। অসমীয়া জাতীয় জীৱনৰ অমূল্য সম্পদ তথা অসমৰ সংগীত আৰু সাংস্কৃতিক জগতৰ হৃদস্পন্দন জুবিন গাৰ্গৰ মৃত্যুত অসমী আইৰ বুকু উদং হৈ পৰিল। সম্পাদকীয়ৰ আৰম্ভণিতে তেখেতক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে তথ্য আহৰণ, প্ৰেৰণ আৰু সংৰক্ষণৰ পদ্ধতি সলনি হৈছে। ডিজিটেল পৃথিৱীয়ে মানুহৰ প্ৰয়োজন পূৰণ কৰাত সমাজ, অৰ্থনীতি আৰু জীৱনধাৰালৈ নতুনত্ব আনিছে। সাহিত্যত তেনে নতুনত্বৰে এক উদাহৰণ ডিজিটেল আলোচনী। নতুনত্বৰ কামনাৰে ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা নতুন সম্ভাৱনাৰে মুকলি কৰা হৈছে 'জোনাক'। গল্প, কবিতা, প্ৰবন্ধৰ সমাহাৰে অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত 'জোনাক' নামৰ ছমহীয়া ডিজিটেল আলোচনীখনে উঠি অহা প্ৰজন্মক উৎসাহ যোগাব বুলি আমি আশাবাদী। 'জোনাকে' ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত এমুঠি জোনাক চটিয়াব বুলি আমি দৃঢ় বিশ্বাসী। অতি কম সময়ৰ ভিতৰতে ডিজিটেল আলোচনীখন ৰূপ দিবলৈ প্ৰয়াস কৰাত বিভাগীয় প্ৰধান ড° ৰত্নেশ্বৰ মিলি ছাৰৰ অৱদান যথেষ্ট, ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে ড° বিজয়া বড়া বাইদেউলৈও ধন্যবাদ জনাইছোঁ। মহাবিদ্যালয় অধ্যক্ষ ড° অমৰেন্দ্ৰ কলিতা ছাৰৰ কৰ্ম প্ৰেৰণা আমাৰ বাবে এক সাহস। ছাৰৰ এই সাহস আমাৰ বাবে সদায়েই প্ৰেৰণাৰ উৎস।

সৰ্বশেষত আলোচনীখনত লেখা দি উপকৃত কৰা প্ৰতিগৰাকী লেখকলৈ আমি কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ। আলোচনীখনত ৰৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

ড° লুনা বৰা
কৰিশ্মা তালুকদাৰ




# কবিতা


- হেৰোৱা পৃথিৱীখন | সমীন্দ্ৰ হুজুৰি (অতিথি)
- গৰুৰে বাট চিনে | ৰত্নেশ্বৰ মিলি
- ব্ৰহ্মপুত্ৰ | কিশোৰ দাস
- অভিমান | মৃন্ময় শৰ্মা
- এটা গীত | বৰষা কলিতা
- অভিশপ্ত এটা দিন | গৰিমা দাস
- নদী | চোহেইল আহমেদ
- ব'হাগ | মৃণাল দাস
- সময় | নাজমা বেগম
- নদী হ'লে | ভণিতা দেৱী
- জোনাক | ডলি মণি দাস
- জুবিন | উমা ছেত্ৰী



# হেৰোৱা পৃথিৱীখন

**সমীন্দ্ৰ হুজুৰি**

নিতৌ পুৱাই  আহে সৰু চৰাইজাক
এখুদ ফুলনিখনতে নাচে গায়

মাধৈমালতীৰ থোপাই থোপাই
ভোমোৰাৰ গুণগুণনি
নিমগ্নমনে শুনে বা নুশুনে কোনোবাই
কোনো পৰোৱাই নাই

কাকো অনুনয় নকৰে
নৰয় বা নুৰে কাৰো কথাত
সিহঁতে জানে কোনোৱে কাকো
দিব নালাগে একো
সকলো আছে সকলোৰে বাবে
ভগাই বটাই ল'লে
শইচৰ শাহ ফুলৰ সুঘ্ৰাণ
দেহ মন জুৰুৱা বতৰ

হুতাহ নপলোৱা মুনাফাৰ লালসাত
বিস্বাদ বিয়পে সকলোতে
নৈ মৰে  শুকায়  দীপৰ বিল
ভেটফুলে চানডুবিত পোহৰ নিবিলায়

খহিপৰে উত্তৰখণ্ড
ছুনামিয়ে খেদি আহে
মাছমৰীয়া নাওবোৰ জাঁজি হৈ উটে
মেনগ্ৰ'ভৰ জাৰণিত জিৰোৱা
চৰাইজাকে হাহাঁকাৰ কৰে
 পাৰ হেৰুওৱা সকলৰ বাবে

হাতত ধৰাধৰাকৈ চলিলে
এই ধৰাতলৰ ওখ চাপৰ
কাৰোবাবে নহয় অসহন

অসহনীয় বোজা আনৰ মূৰত জাপি
যিসকলে নিজে উদ্ধাৰ হ'ব খোজে
সিহঁতে নিজৰেই কবৰ খান্দে
জানিও নাজানে পাহৰি থাকে
সেই কথা

ৰ'দ বৰষুণ ফুল ফল
সকলোৰে শুনে বতৰৰ কথা
কাৰো কথাত বতৰ সলনি নহয়

বতৰৰ স'তে বুজাপৰা যাৰ
তেওঁলোক খেতিয়ক মাচুৰৈ মেহনতী
মেহনতৰে তাৰে সকলোকে

ৰ'দ বৰষুণ মূৰত লৈ
পথাৰ -সমাৰ খনি -কাৰখানা
সকলোতে শুনে জীৱনৰ গান

জীৱনহীন জীৱনৰ সলনি
তেওঁলোকে জীৱনান্ত মেহনতৰে
গঢ়িব খোজে বৈভৱৰ এখন পৃথিৱী
সকলোৰে তাৰ সমান ভাগিদাৰ

চৰাই জাকৰ দৰে বেপৰোৱা
তেওঁলোকেই ওভতাই দিব পাৰে
ক্ৰমাত সকলোৰে হেৰোৱা পৃথিৱীখন ■



# গৰুৱে বাট চিনে

ড° ৰত্নেশ্বৰ মিলি

গৰুৱে বাট চিনে
বাট চিনাই গৰাকীক

অমাৱশ্যাৰ  এঙাৰুৱা এন্ধাৰত
পুহীয়া ঠৰঙা জাৰত ঘন কুঁৱলীৰ ভিৰ ফালি
ভয়াল বাঁহনিতো মাজ বাট চিনাই
লৈ যায় গৰাকীক গোহালিৰ পৰা নিজ পথাৰলৈ

সীৰলুৰ বাটেৰে বাট বুলি  এবিঘা বাই
নাঙল যুঁৱলী এৰি চিধাই চাপৰিমুখী বাট লয়
চাপৰিৰৰ অকোৰা-পকোৰা বাটেৰে ঘূৰি ঘূৰি ঘাঁহ খায়
আবেলিৰ বেলিটো চাপৰিৰ সিপাৰে লহিওৱাৰ পিছত
দিক বিদিক চিনিব নোৱাৰা
বহু বাটৰ পৰা ঘৰমুৱা  বাট বাচি লৈ
পাৰ হৈ উলুৱনি কচুৱনি নৰানি
নৈ জান জুৰি পাৰ হৈ
গোহালি মুখত চায় বঙহৰ কোন আছে বৈ

পাক-ঘূৰণি খোৱা পকনীয়া বাটেৰে
ঘূৰি ঘূৰি মৰণা মাৰিব জানে গৰুৱে ।
জাক ফুৰা জুমৰ মাজত বাট হেৰুৱাই
নিলগ হোৱা পেটৰ পোৱালিটোক
বাট বিচাৰি উলিয়াব জানে

পৰুৱাই পোৱা গৰখীয়াই গৰুৰ নেজত ধৰি
বাট ল'লে ঘৰমুৱা বাট পায়
সাঁতুৰিব নজনা অসাঠন ডেকাই
গৰুৰ নেজত ধৰি নদীৰ সিপাৰ পায়

বাঁহী বাই বাই
গৰুৰ পিছে পিছে কানাইয়ো
নিজ বাটে ঘৰলৈ যায়

কোনে কয় গৰু 'গৰু'

'যাৰ নাই গৰু সি সবাতোকৈ সৰু'
গৰু নহ'লে মৰোঁ
গৰুৱে জীৱন তৰোঁ

গৰুৱে বাট চিনে
গৰাকীকো চিনায় বাট■



# ব্ৰহ্মপুত্ৰ

কিশোৰ দাস
*প্ৰাক্তন ছাত্ৰ*

মৌনতাৰে ভৰা তোমাৰ হৃদয়
হেজাৰ স্বপ্নভংগৰ কাহিনী
তোমাৰ মৌনতাৰ সংগী হৈ
স্থবিৰ হৈ পৰা
প্ৰতিটো যাত্ৰাই
বিচাৰি লয় এটি আলোকৰ পথ।
যি পথত আছে অদম্য শক্তি
সপোনক বাস্তৱ কৰাৰ
প্ৰবল হেঁপাহ
য'ত হেৰাই যায় জীৱনৰ বেদনা
নোপোৱাৰ কাৰুণ্য...
এনেকৈয়ে বুকুলৈকে বৈ আহে
সোণালী সুখৰ চেকুৰা অনন্ত ■



# অভিমান

**মৃন্ময় শৰ্মা**
*স্নাতক প্ৰথম ষাণ্মাসিক*

কষ্টৰ  আৱৰ চকুলোবোৰ
হাঁহিৰ বুকুত গুপুতে ৰাখিলোঁ
মনৰ মাজত লুকাই থকা
বেদনাৰ উপন্যাসখন
নিজৰ মাজতেই সীমাবদ্ধ কৰিলোঁ।
উপন্যাসৰ কাহিনীবোৰে
মোৰ মনৰ মাজত
কল্পনাৰ ছবি আঁকে
জীয়া প্ৰেমৰ অনুভূতি
মোৰ কবিতাত বিলীন হৈ থাকে।
আৱেগ নামৰ তলাটি
কেনেকৈ খোলো আজি,
অভিমানৰ সময়খিনি
কেনেকৈ কৰোঁ মুকলি ■



# এটা গীত

**বৰষা কলিতা**
*স্নাতক ৫ম ষাণ্মাসিক*

সেইদিনা
আকাশ
অস্বাভাৱিকভাৱে নীৰৱ হৈছিল।
বতাহত শোকৰ ভাষা বিয়পিছিল...
হাতত ফুল লৈ
মই থিয় দিছিলোঁ...
স্মৃতি সুঁৱৰি
এটা যুগৰ কাষত।

তোমাৰ কণ্ঠ আজি
নষ্টালজিক স্মৃতি...
মোৰ শৈশৱৰ ৰঙীন হোৱা
তোমাৰ গীত...
বুকুৰ ভিতৰত মেৰপাক খাই
বাজি উঠা
দীঘলীয়া এটা স্মৃতি!

সিদিনা
বেলিটো হেৰাই গৈছিল
মই আন্ধাৰত
একাকী অনুভৱ কৰি
এটা যুগক বিদায় দিছিলোঁ...

আজিও
মৃত্যুৱে কাঢ়ি নিয়া এটা শৰীৰ
এটা গীত হৈ
উজলি জ্বলি উঠিল ■



# অভিশপ্ত এটি দিন

গৰিমা দাস
*স্নাতক তৃতীয় যান্মাসিক*

স্তব্ধ হৈ গ'ল এটি কণ্ঠ
হেৰাই গ'ল
নিজানৰ এটি গান
যি গানে জনতাৰ বুকুত
দিছিল প্ৰাণ।
প্ৰাণৰ শিল্পী তুমি
সাধনা আৰু কৰ্মময়ী
জীৱনৰ দানে
অসমী আইক
দিলা মাতৃৰ সন্মান
সেয়েহে আজি...
অসমী আইৰ হাজাৰ
সন্তানে
তোমাকেই কৰে ধ্যান ■

# নদী

**চোহেইল আহমেদ**
*স্নাতক প্ৰথম ষাণ্মাসিক*

জীৱন নদীৰ দুয়োপাৰ
অপাৰ...
সুখ-দুখ আনন্দ কিম্বা হাহাকাৰ
নদীৰ ইপাৰ বা সিপাৰ
পোৱা নোপোৱাৰ অনেক আশা।
নদীৰ গতিত
সময়ে দিয়ে...
সময়ে নিয়ে...
সুখে ভুমুকি মৰা
জীৱন নদীত
সোঁতে দিয়ে বাৰে বাৰে বাধা
তথাপি ধৈৰ্য আৰু সাহস
সাৰথি কৰি আছোঁ
আগুৱাই...
সফলতা আৰু শান্তি প্ৰয়াসী ■



# ব'হাগ

**মৃণাল দাস**
*স্নাতক ৩য় ষান্মাষিক*

ব'হাগৰে বতৰ
নৱ ৰঙেৰে আদৰ সাদৰ
হেপাঁহৰ ৰঙালী
ৰঙতে নাচে ইঘৰ সিঘৰ...

হেপাঁহৰ বিহুৱতী নাচে
ঢোল পেপাঁ গগণাৰ ধ্বনি শুনি
প্ৰকৃতি বৰঘৰ আজি উদুলি-মুদুলি...

চোতালে চোতালে উৰিলে ধূলি
গচকত উৰ্বৰতাৰ জাননী
দিনক ৰাতি কৰি
উভতি উভতি আহে ৰঙালী ।
সময়ে চুই দিয়া
প্ৰকৃতিয়ে প্ৰাণ দিয়া
ৰঙালী ব'হাগী আহে আমাৰ
প্ৰাণত বিয়পি ■



# সময়

নাজমা বেগম
*স্নাতক ৫ম ষান্মাসিক*

সময় আহে সময় যায়
গুছি যোৱা সময়ে
ঈশ্বৰৰ কথা নকয়...
সময়ে
নদী নাইবা
বেলিৰ কথা কয়।
বহু বেলি সচাঁ -মিচাৰ দোমোজাত
হেঁচা খাই থমকি ৰয়।
আইৰ আঁচলত
দেউতাৰ পদূলিত
এৰি অহা সময়
নাইবা
মাঘৰ ভেলাঘৰত
ব'হাগৰ দুপৰীয়া এটাত
এঠা লগা সময়
নদী হৈ
কোন কাহানিবাই বৈ যায় ■



# নদী হ'লে...

ভণিতা দেৱী
*স্নাতক ৫ম যান্মাসিক*

নদী হ'লে
সাগৰ স্পৰ্শ কৰি
তোমাকেই বিচাৰিম।
মায়াবিনী ৰাতি
প্ৰতি পল
তোমাৰ স্মৃতি
খুচৰি
ব্যাকুল আজি...
ফুল ফুলে
ৰাতি হয়
নদী বৈ...
জন্ম মৃত্যুৰ গতিত আবদ্ধ আমি
তথাপি ক'ৰবাত উকা হৈ
তোমাৰ স্মৃতিয়ে কথা কয় ■



# জোনাক

ডলিমণি দাস
*স্নাতক প্ৰথম ষান্মাসিক*


সৰি পৰে
নিয়ৰৰ টোপালবোৰ
জোনাক নিশাত...
খিৰিকীৰ মাজেৰে দেখো
গলি গলি বাগৰি অহা
শেঁতা জোনৰ পোহৰ
মাজ নিশা
কাতৰ কণ্ঠত বাজি উঠা
জোনাক পক্ষীৰ গীত শুনো।
জোনাকৰ ৰাতি
দিন-ৰাতিৰ
পাৰ্থক্য পাহৰি
নিজৰ মাজতে থাকো উমলি ■



# জুবিন

উমা ছেত্ৰী
*স্নাতক ১ম যান্মাসিক*

অসমৰ মাটিত জিলিকি উঠা
সুৰৰ যাদুকৰ তুমি
গীতেৰে হৃদয় জগাই
অসমীয়া ভাষাক দিলা প্ৰাণ।
জাতিক এক কৰি
ভাষাত প্ৰাণ সিঁচি
সুৰৰ সুধাকৰ তুমি
যুগে যুগে অনন্য আজি।
অসমী আইৰ বুকুলৈ
ব'হাগ আহে...
নতুবা
মাঘৰ উৰুকাৰ গীত হৈ
তোমাৰ গীত বাজে।
তুমি শিল্পী
তুমি অসমী আইৰ মান
আমাৰ গৌৰৱৰ ধ্বজা
তোমাৰ নামতেই উৰে ■




# প্ৰবন্ধ


- ক্ৰমবিকাশত অসমীয়া গীতি সাহিত্য | কৰিশ্মা তালুকদাৰ
- অসমৰ মুগা শিল্পৰ ইতিহাস | অৰুণিমা কলিতা
- জীৱন,জুবিন গাৰ্গ আৰু এটি অনুভৱ | পূৰ্ণিমা কলিতা
- নাট্য প্ৰতিভাধৰ 'শংকৰদেৱ' | অভিজিৎ চক্ৰৱৰ্তী
- কৌটিলিঙ্গ মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য | হিমাংশু বৈশ্য
- পৰ্যটন কেন্দ্ৰ হিচাপে 'দুধকুঁৱৰী পীঠ' | কিশোৰ দাস
- অযাচক আশ্ৰম আৰু আধ্যাত্মিকতা | অভিষেক দেৱ

# ক্ৰমবিকাশত অসমীয়া গীতি সাহিত্য



**কৰিশ্মা তালুকদাৰ**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

অতি প্ৰাচীন কালৰে পৰা গীতি সাহিত্যই অসমীয়া সাহিত্য, সমাজ, সংস্কৃতিৰ জগতখনত সমৃদ্ধ কৰি আহিছে। গীতি সাহিত্য অসমীয়া সাহিত্য-সংস্কৃতি জগতৰ দাপোনস্বৰূপ। অতি প্ৰাচীন কালত মানুহৰ যেতিয়া সমাজ সম্বন্ধে কোনো জ্ঞান নাছিল, সেই সময়ত মানুহে পৰ্বতৰ গুহাই গুহাই বাস কৰিছিল। হাবিয়ে বননিয়ে খাদ্য বিছাৰি হাবাথুৰি খাইছিল। জীৱ জন্তু চিকাৰ কৰি কেঁচা মঙহ ভক্ষণ কৰি পেট প্ৰৱৰ্তাইছিল। মানুহৰ এই অজ্ঞনতাৰ বাবেই কিছুমান দৈৱ শক্তিৰ জন্ম হৈছিল আৰু এই দৈৱ শক্তিৰ ওপৰত ভিত্তি কৰিয়েই মানুহৰ জীৱনটো নিৰ্ভৰশীল বুলি ধাৰণা কৰিছিল। এনে অলৌকিক ধ্যান -ধাৰনাৰ ওপৰত ভিত্তি কৰিয়েই দৈৱ শক্তিৰ সন্তুষ্টিৰ বাবে কিছুমান ভক্তি মূলক, স্তুতি মূলক গীতৰ সৃষ্টি হল, এয়াই গীতি সাহিত্যৰ আৰম্ভণি।

সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰেপৰা সামাজিক ৰীতি-নীতি, ধ্যান ধাৰনা, আচাৰ-ব্যবহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম পৰম্পৰা আদি সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ আৰম্ভ কৰিলে। লাহে লাহে মানুহৰ বোধশক্তি, চিন্তা শক্তিৰ বিকাশ হল। তেতিয়াৰপৰাই সমাজত গীতি সাহিত্যই এক নতুন ৰূপত সৃষ্টি হবলৈ ধৰিলে। মানুহৰ মনৰ সুক্ষ্ম ভাব অনুভূতি প্ৰকাশৰ মাধ্যমত সৃষ্টি হোৱা কাব্যসমূহক চহা অনাখৰী জনসাধাৰণৰ আনন্দ সঞ্চাৰৰ বাবে সুৰ লগাই গীতৰ আকাৰত গোৱা হল। ঠিক সেইদৰে, যুগ যুগ ধৰি মুখ পৰম্পৰা অনুযায়ী নিৰক্ষৰ জনসাধাৰনৰ মাজত প্ৰচলিত হৈ অহা ৰচনাৰাজিক গীতি সাহিত্য বুলি কোৱা হয়।

গীতি সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰে গোটেই বিশ্বতে ব্যাপ্তি লাভ কৰিছে। মৌখিক সাহিত্যই গীতি সাহিত্যৰ আৰম্ভণি। লোক মনৰ নিভৃততম অন্তৰৰ সুক্ষ্ম অনুভূতিৰ বহিঃপ্ৰকাশেই কবিতা। আৰু এই কবিতা, বচন, কথা আদিয়ে জনসাধাৰনৰ মনত ৰস সৃষ্টিৰ বাবে সুৰ লগাই গীতৰ আকাৰত গালে সেয়াই হৈ পৰে গীতি সাহিত্য। অসমীয়া কেচা মাটিৰ গোন্ধেৰে আমোলমোলাই থকা অসমীয়া লোকগীতবোৰেই হৈছে গীতি সাহিত্যৰ প্ৰথম নিদৰ্শন। ইয়াৰ পিছত বৌদ্ধ ধৰ্মৰ চৰ্য্যাগীত আৰু দোহা সমূহে গীতি সাহিত্যৰ এক বিশেষ স্বাক্ষৰ বহন কৰি আহিছে। একেদৰে, মৌখিক সাহিত্য, চৰ্য্যাপদ, ওজাপালি আদিকে ধৰি পৰম্পৰাগত ভাবে চলি অহা গীতি সাহিত্যৰ ধাৰাটোৱে

পঞ্চাশ, যোড়শ শতিকাত বৈষ্ণৱ যুগতহে বিশেষ পূৰ্ণতা লাভ কৰে। বৈষ্ণৱ যুগত জগত গুৰু শংকৰদেৱ, মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীত আৰু ভটিমাসমূহে অসমীয়া গীতি সাহিত্যকধৰি পৰম্পৰাগতভাৱে চলি অহা গীতি সাহিত্যৰ ধাৰাটোৱে পঞ্চাশ, যোড়শ শতিকাত বৈষ্ণৱ যুগটোৱে বিশেষ পূৰ্ণতা লাভ কৰে। বৈষ্ণৱ যুগত জগত গুৰু শংকৰদেৱ, মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীত আৰু ভটিমাসমূহে অসমীয়া গীতি সাহিত্যক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। ইয়াৰ পিছত সপ্তাদশ শতিকাত শংকৰোত্তৰ কবিসকলে বৰগীতৰ লেখীয়াকৈ বহুতো গীত, পদ, শ্লোক ৰচনা কৰিছিল যদিও সেই গীতবোৰে বৰগীতৰ মৰ্য্যাদা লাভ কৰিব নোৱাৰিলে। ইয়াৰ পিছত ক্ৰমে অৰুণোদয়, জোনাকী আলোচনীৰ পাতত আধুনিক গীতি সাহিত্যই পাশ্চাত্য প্ৰভাৱৰ লগত সংমিশ্ৰণ ঘটাই লক্ষীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, মফিজুদ্দিন আহমদ হাজৰিকা, নলিনীবালা দেবী, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, পাৰ্বতী প্ৰসাদ বৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী আদি কবি সাহিত্যিকসকলে স্বদেশ প্ৰেম, অসমীয়া জনজীৱন, সামাজিক বিষয়বস্তুৰ প্ৰতিফলন ঘটাই স্বকীয় সুৰ সংযোজন কৰি এক নতুন ৰূপত সজাই তুলিছিল। একেদৰে, বিংশ শতিকাত (ৰামধেনুৰ পাতত) নতুন বিষয়বস্তু, আংগিক, শব্দ, অলংকাৰ, ছন্দেৰে পৰিপূৰ্ণ হৈ গীতি সাহিত্যই এক নৱৰূপ পৰিগ্ৰহণ কৰে। এনেদৰে, অতীজৰে পৰা সাম্প্ৰতিক সময়লৈকে গীতি সাহিত্যৰ ধাৰাটোৱে পৰিবৰ্তনশীল আৰু পৰিবৰ্ধনশীল ৰূপত অসমীয়া সংস্কৃতিৰ মাজত, জনসাধাৰনৰ মাজত আজিও গতিশীল ৰূপত জীয়াই আছে।■


# ‘অসমৰ মুগা শিল্পৰ ইতিহাস’ এটি আলোচনা



অৰুণিমা কলিতা
*প্ৰাক্তন ছাত্ৰী*

অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত এখন ঠাই হ’ল শুৱালকুছি। শুৱালকুছি গুৱাহাটীৰ পৰা প্ৰায়  ৩৫ কি:মি: দূৰত ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত অৱস্থিত। শুৱালকুছিত অসংখ্য হাতে বোৱা কাপোৰৰ উদ্যোগ থকাৰ বাবে ইয়াক অসমৰ মানচেষ্টাৰ বুলি কোৱা হয়।

শুৱালকুছিৰ হস্ততাঁত শিল্পৰ এক দীঘলীয়া ইতিহাস আছে। ১১শ শতিকাত পাল ৰাজবংশৰ ৰজা ধৰ্মপালে ২৬ টা বোৱনী পৰিয়ালক তাঁতীকুছিৰ পৰা শুৱালকুছিলৈ লৈ আহিছিল। ১৭  শতিকাত মোগলক পৰাস্ত কৰি শানসকলে শুৱালকুছি দখল কৰাৰ পাছত ইয়াত বয়ন শিল্প গঢ় লৈ উঠিবলৈ ধৰে। ১৯৩০ চন মানলৈকে  তাঁতী জনগোষ্ঠীৰ মাজত সীমাবদ্ধ হৈ থকা তাঁত শিল্প লাহে লাহে আনবোৰ লোকেও গ্ৰহণ কৰিবলৈ ধৰে। শুৱালকুছিত মুগাৰ সূতা কটা আৰম্ভণি কাল নিৰ্ণয় কৰা কঠিন। জনশ্ৰুতি অনুসৰি মুগাৰ সূতা কটা প্ৰণালী কোনোবা এজন আতাই প্ৰথমে উলিয়াইছিল। আনকি শুৱালকুছিৰ গাঁওবোৰত জেষ্ঠসকলে মুগা সূতা কটা প্ৰণালী আৰম্ভ কৰোঁতে মথুৰা দাস বুঢ়া আতাক স্তুতি কৰে। এনে জনশ্ৰুতিক ভিত্তি কৰিলে শুৱালকুছিত মুগা সূতা কটা প্ৰণালী পঞ্চদশ শতিকাত আৰম্ভ হয় বুলি অনুমান কৰিব পাৰি।মুগা আৰু পাট বস্ত্ৰৰ ব্যৱসায়িক উৎপাদনৰ পূৰ্বে শুৱালকুছিত স্পান চিল্ক বা কেণ্টন চিল্কৰ উৎপাদন কৰা হৈছিল।শুৱালকুছিত ব্যৱসায়িক ভিত্তিত কাপোৰ উৎপাদন আৰম্ভ হয় ‘গাৰোভূমি’ নামৰ মুগাৰে তৈয়াৰী বস্ত্ৰৰ জৰিয়তে। শুৱালকুছিৰ লোকে গাৰো পাহাৰৰ পৰা কপাহ আৰু মুগা লেটা আনিবলৈ যাওঁতে গাৰো লোকৰ



সৈতে যোগসূত্ৰ স্থাপন হয়। ‘গাৰোভূমি’ শুৱালকুছিত আৰম্ভ কৰে হৰমোহন বৈশ্যৰ পূৰ্বপুৰুষসকলে। শুৱালকুছিত মুগাৰ থান কাপোৰ ববলৈ প্ৰথমে আৰম্ভ কৰে গন্ধৰাম মড়লে তেওঁ আহোম ৰজাক কৰ হিচাপে বছৰি একোখনকৈ মুগাৰ থান(১১ গজ দীঘল উকা কাপোৰ) দিছিল। সেয়েহে তেতিয়া মুগাৰ কাপোৰ বোৱাতকৈ মুগাৰ সূতা কটাত গুৰুত্ব দিয়া হৈছিল। তদুপৰি ব্ৰিটিছৰ আমোলত ঢাকা, কলকাতা, বোম্বাই আদিলৈ মাহত ২/৩ মোন মুগাৰ সূতা ৰপ্তানি কৰা হৈছিল। শুৱালকুছিত পাট মুগাৰ বস্ত্ৰ উৎপাদন হোৱা সঠিক কাল নিৰূপণ কৰাতো এতিয়াও বিচাৰ্যৰ বিষয় হৈ আছে। যোগী জাতিৰ ইতিহাসত নৰনাৰায়ণ ৰজাৰ সমসাময়িক শ্ৰীচন্দ্ৰভাৰতীৰ সময়ত শুৱালকুছিত পাট সূতাৰ কাপোৰ উৎপাদন হোৱাৰ তথ্য পোৱা যায়। ১৯৬৬ খৃ:ত বংগদেশত বল্লাল সেনৰ ৰোষত পৰি যোগী বা নাথসকল অসমলৈ আহে। তেওঁলোকে আহোঁতে লগত পাট পলু লৈ আহে বুলি জনা যায়। দ্বিতীয় বিশ্ব যুদ্ধৰ পৰৱৰ্তী সময়ত শুৱালকুছিৰ বস্ত্ৰ শিল্পত যথেষ্ট প্ৰভাৱ পৰে। সেই সময়ত এই শিল্পৰ সৈতে কম সংখ্যক লোক জড়িত হৈ পৰে। এইক্ষেত্ৰত খেদাল বৈশ্য, কালিৰাম কাৰিকৰ, হৰিবিলাস কাৰিকৰ, মহিৰাম মহাজন,পৰশুৰাম মহাজন আদিৰ নাম ল’ব পাৰি। শুৱালকুছিত বয়ন শিল্পত যন্ত্ৰৰ প্ৰচলনৰ বাটকটীয়া আছিল কালিৰাম কাৰিকৰ। বয়ন শিল্পৰ পৰম্পৰা পদ্ধতি পৰিৱৰ্তনৰ বাবে কলকাতা, বেনাৰস,কাশ্মীৰ আদি ঠাই ভ্ৰমণ কৰি হস্ততাঁত শিল্পৰ বয়ন পদ্ধতি, বুটা বছা প্ৰণালী আদি তেওঁ অধ্যয়ন কৰিছিল। তেখেতে ব্যক্তিগত খণ্ডত সৰ্ব প্ৰথমে ১৯২২ চনত তাঁতশালৰ ফেক্টৰী স্থাপন কৰে। শুৱালকুছিত হস্ত তাঁত বস্ত্ৰ শিল্প আন্তৰাষ্ট্ৰীয় বজাৰ উপযোগী কৰিবলৈ ২০০৮ চনত ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল। বয়ন শিল্পক গতিশীল কৰাৰ উদ্দেশ্যে হৰিবিলাস কাৰিকৰে ১৯৩১ চনত ‘শ্ৰীশ্ৰী শংকৰদেৱ চিহ্ন উইভিং ফেক্টৰী’ নিৰ্মাণ কৰে। একেদৰে মহিৰাম মহাজন আৰু পৰশুৰাম মহাজনে ১৯৩৫ চনত যুটীয়া ভাৱে চিল্ক উইভিং ফেক্টৰী স্থাপন কৰিছিল। শুৱালকুছিত





হস্ততাঁত বস্ত্রশিল্পৰ ক্ৰমবৰ্দ্ধমান বিকাশ আৰম্ভ হয় ১৯৪৬ চনৰ পিছত। ১৯৪৬ চনৰ ৯ জানুৱাৰী তাৰিখে জাতিৰ পিতা মহাত্মা গান্ধী শুৱালকুছি ভ্ৰমণ বস্ত্ৰ শিল্পৰ বিকাশৰ যাত্ৰাৰ মাইলৰ খুঁটি বুলি ক'ব পাৰি। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ শুৱালকুছিৰ হস্ত তাঁত বস্ত্ৰ শিল্পৰ সোণালী যুগ বুলিব পাৰি। সেই সময়ত অসমৰ বজাৰত পাট মুগাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছিল। যিয়ে সেই সময়ৰ সামগ্ৰিক অৰ্থনিতীৰ বিকাশত যথেষ্ট অৰিহণা আগবঢ়াইছিল। অৱশ্যে ১৯৯৯ চনৰ পৰা বিশ্বায়নৰ প্ৰভাৱত শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ চাহিদা কমি আহে। পৰৱৰ্তী সময়ত ২০১০ চনত পাট সূতাৰ মূল্য ৩০/৩১ শতাংশ কমি আহে। পৰৱৰ্তী সময়ত শুৱালকুছিৰ আৰ্হিত বেনাৰসত উৎপাদিত পাট কাপোৰে অসমৰ বজাৰ অগ্ৰাধিকাৰ কৰে। মুঠৰ ওপৰত চাবলৈ গ'লে শুৱালকুছিত হস্ত তাঁত শিল্পৰ বহু দীঘলীয়া ইতিহাস আছে। সোতৰ শতিকাৰ বস্ত্ৰ শিল্পই আজি বিশ্ব দৰবাৰত যোগ্য স্থান পাইছে বুলি ভাবিব পাৰি।

অসম আৰু অসমীয়াৰ বাবে শুৱালকুছিৰ বস্ত্ৰ উদ্যোগ কেৱল জীৱন জীৱিকাৰ উৎস নহয়। অসমৰ সমাজ আৰু সাংস্কৃতিক জীৱনত ইয়াৰ যথেষ্ট বৰঙণি আছে। অসম ৰাজ্য মুগা আৰু এৰী সূতাৰ জন্মস্থান। বিজ্ঞানে যিমানেই উন্নতি সাধন কৰি বৈজ্ঞানিক কৌশলেৰে নিত্য নতুন চকমকীয়া বিভিন্ন ডিজাইনৰ বস্ত্ৰ তৈয়াৰ নকৰক তথাপি যেতিয়ালৈকে অসমীয়া জাতি জীয়াই থাকিব তেতিয়ালৈকে পাট মুগাৰ বস্ত্ৰ জী থাকিব। অৱশ্যে তাৰ কাৰণে অসমীয়াৰ সামূহিক প্ৰচেষ্টা নিতান্ত প্ৰয়োজন।■

# জীৱন, জুবিন গাৰ্গ আৰু এটি অনুভৱ



**পূৰ্ণিমা কলিতা**

*স্নাতক তৃতীয় ষাণ্মাসিক*

গীত আৰু শোকত এটা জাতিক একত্ৰিত কৰা এটি কণ্ঠস্বৰৰ নাম জুবিন গাৰ্গ। অসমৰ আকাশ -বতাহত দুখৰ ধুমুহা বিয়পাই এটি অভিশপ্ত দেওবাৰে জুবিন গাৰ্গ নামৰ এই মহান সত্তাটিয়ে কায়িকভাৱে বিদায় লয়।

জুবিন গাৰ্গ অসমৰ সংগীত জগতৰ এগৰাকী কিংবদন্তি শিল্পী। যিগৰাকী একেধাৰে গায়ক, সংগীত পৰিচালক, গীতিকাৰ, বাদ্যযন্ত্ৰী, কবি, সমাজকৰ্মী, অভিনেতা, প্ৰযোজক হিচাপে পৰিচিত আছিল। ১৯৯৩ চনত তেওঁৰ প্ৰথম এলবাম 'অনামিকা' মুক্তি পোৱাৰ পাছৰে পৰা জুবিন গাৰ্গৰ অবিৰত যাত্ৰা অব্যাহত আছিল। সাংস্কৃতিক জগতৰ সকলো পৰিচয়ৰ পাছতো জুবিন গাৰ্গ প্ৰকৃত অৰ্থত এগৰাকী মানৱ দৰদী মানুহ আছিল। জুবিন গাৰ্গে 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যন' নামৰ এটা দাতব্য সংস্থা চলাইছিল। অসমত বিধ্বংসী বানপানী হ'লে তেওঁ মানুহক কাপোৰ, ঔষধ আৰু বৰঙণি দান কৰিবলৈ আহ্বান জনায়। গাৰ্গ অসমৰ কা-বিৰোধী প্ৰতিবাদত আগ-ভাগ লোৱা অন্যতম অৰাজনৈতিক ব্যক্তি আছিল। ২০২১ চনৰ মে' মাহৰ ক'ভিড ১৯ সংক্ৰমনৰ উত্থানৰ সময়ত জুবিন গাৰ্গে গুৱাহাটীত থকা ঘৰটো ক'ভিড কেয়াৰ চেণ্টাৰলৈ ৰূপান্তৰিত কৰিবলৈ আগবঢ়াইছিল। উদ্দেশ্য আছিল ৰোগীৰ বিচনাৰ সংখ্যা বৰ্ধিত কৰা।

সাধাৰণ হৈও অসাধাৰণ মহিমাৰে অসম আৰু অসমীয়াৰ বাবে কৰ্মপ্ৰেৰণাৰ আদৰ্শ দি যোৱা এইগৰাকী মহান শিল্পী আমাৰ বাবে সদা স্মৰণীয়।■



# নাট্য প্ৰতিভাধৰ ‘শংকৰদেৱ’

**অভিজিৎ চক্ৰৱৰ্তী**

*প্ৰাক্তন ছাত্ৰ*

বৃহত্তৰ অসমীয়া জাতিসত্তাক অসাধাৰণ প্ৰতিভা তথা কৰ্মৰাজিৰে অসমৰ জাতীয় জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰা মহাপুৰুষ শংকৰদেৱ আছিল অনন্য প্ৰতিভাৰ অধিকাৰী। বিভিন্ন ধৰণৰ সামাজিক অনাচাৰ, ধৰ্মীয় গোড়ামী, সামাজিক ব্যভিচাৰ, বৰ্ণ-বৈষম্যৰে ভৰপূৰ মধ্যযুগীয় অসমীয়া সমাজখনক শৃংখলিত কৰিবৰ বাবে মহাপুৰুষ শংকৰদেৱে কলা-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ দৰে বিভিন্ন পন্থা হাতত লৈছিল। গুৰু মহেন্দ্ৰ কন্দলিৰ টোলতে বেদ, পুৰাণ, সাহিত্য, দৰ্শন, ব্যাকৰণ আদিৰ জ্ঞান লাভ কৰি তেখেতে ডেকাগিৰী পদ লাভ কৰা দিনৰে পৰাই এখন ঐক্যবদ্ধ অসমীয়া সমাজ গঢ়াৰ সপোন দেখিছিল। সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য সংস্কৃত ভাষাৰ ঠাইত সাধাৰণ জনতাই বুজিব, পঢ়িব পৰাকৈ আইৰ মুখৰ ভাষাটো আৰু মৈথিলী ভাষাৰ সংযোজনত অসমীয়া ভাষা-সংস্কৃতিৰ সৌধস্বৰূপ ‘ব্ৰজাৱলী’ নামৰ কৃত্ৰিম সাহিত্যিক ভাষা সৃষ্টি কৰি সাহিত্য চৰ্চাত হাত দিছিল। তেওঁ একাধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ তথা ধৰ্ম প্ৰচাৰক আছিল। প্ৰকৃতাৰ্থত এইগৰাকী মহান মনিষীৰ প্ৰতিভা তথা গুণ-গৰিমাই অসমীয়া জনজীৱনক সমৃদ্ধ কৰি তুলিছে।

মহাপুৰুষ শংঙ্কৰদেৱৰ নাট্য প্ৰতিভাৰ উমান পোৱা যায় তেওঁৰ দ্বাৰা ৰচিত নাট চিহ্নযাত্ৰা, পত্নীপ্ৰসাদ, ৰুক্মিণীহৰণ, কালিয়দমন, কেলিগোপাল, পাৰিজাত হৰণ আৰু ৰাম বিজয় নাটৰ যোগেদি। নাট কেইখনৰ কাহিনীভাগ তেওঁ ভাগৱত, হৰিবংশ, বিষ্ণুপুৰাণ আৰু ৰামায়ণৰ পৰা সাৰ সংগ্ৰহ কৰি ৰচনা কৰিছিল। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ অৰ্থে সৃষ্টি হোৱা এই অংকীয়া নাটসমূহ সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এক অপূৰ্ব সংযোজন। শংকৰদেৱৰ নাটসমূহক উজ্জ্বলৰ পৰা উজ্জ্বলতম কৰি তোলা কাৰকসমূহ হ’ল - সূত্ৰধাৰ, গায়ন- বায়ন, শ্লোক, ভটিমা প্ৰৱেশ-প্ৰস্থান, আঞ্চলিক ভাষাৰ দুই-এক প্ৰয়োগ আদি। চৰিত্ৰবোৰক লৌকিক সাজেৰে দৰ্শকৰ মাজলৈ আগবঢ়াই দিয়া প্ৰক্ৰিয়াটোৱেও শংকৰদেৱৰ নাটসমূহক জনমানসত সুকীয়া স্থান অধিকাৰ কৰাত সহায়ক হৈছিল।

**পত্নীপ্ৰসাদঃ** পত্নীপ্ৰসাদ যদিও শংকৰদেৱৰ প্ৰথম নাট, কিন্তু এই নাটভাগত মহাপুৰুষজনাৰ নাট্য প্ৰতিভাৰ উমান ইমান এটা পোৱা নাযায়। নাটখনত মুক্তিমংগল ভটিমা পোৱা নাযায়। উল্লেখযোগ্য যে মহাপুৰুষ শংকৰদেৱৰ আন আন নাটসমূহৰ পয়াৰসমূহ ব্ৰজাৱলী ভাষাত ৰচনা হোৱাৰ বিপৰীতে এই নাটৰ পয়াৰসমূহ অসমীয়াত ৰচনা কৰা।

ভাগৱতৰ দশম স্কন্ধৰ ত্ৰয়োবিংশ অধ্যায়ৰ ভেটিত এই নাট ৰচনা কৰা হৈছে। ব্ৰাহ্মণসকলৰ লগত কৃষ্ণভক্ত ব্ৰাহ্মণ পত্নীসকল আৰু গোপসকলৰ বিৰোধক কেন্দ্ৰ কৰি এই নাটৰ কাহিনীভাগ ৰচিত হৈছে। নাটভাগৰ কাহিনীভাগ অতি চমু আৰু নাট্যগুণবৰ্জিত।

কালিম দমনঃ মহাপুৰুষ শংকৰদেৱৰ আন এখন উল্লেখযোগ্য নাট হ'ল কালিয় দমন। এই নাটৰ বিষয়বস্তু মহাপুৰুষজনাই ভাগৱতৰ দশম স্কন্ধৰ যোড়শ- সপ্তদশ অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে। কালিয় দমন নাটখনত বিশেষকৈ বৰ্ণনাত্মক ৰীতিৰ প্ৰাধান্য অধিক দেখিবলৈ পোৱা যায়। সূত্ৰধাৰৰ জৰিয়তেহে দৰ্শকে পৰিস্থিতি আৰু চৰিত্ৰৰ অৱস্থা অনুমান কৰিব লগা হয়। নাটখনত সংলাপতকৈ সূত্ৰধাৰৰ মন্তব্য আৰু নিৰ্দেশৰহে প্ৰাধান্য বেছি।

**কেলিগোপাল ঃ** ভাগৱতৰ দশম স্কন্ধৰ ঊনত্ৰিংশ অধ্যায়ৰ পৰা এই নাটৰ বাবে কাহিনীভাগ গ্ৰহণ কৰা হৈছিল। কেলিগোপাল মূলতঃ নৃত্য-গীতমুখৰ নাট। বিশেষকৈ কাব্যৰসে এই নাটত নিজৰ সুকীয়া স্থান অধিকাৰ কৰিছে। এই নাটত শৰৎ কালৰ এক সুন্দৰ বিশ্লেষণ পোৱা যায়। নাটখনত শংকৰদেৱে ছয়ত্ৰিশটা গীত সন্নিৱিষ্ট কৰিছে। কাব্যধৰ্মত আন পাঁচখন নাটতকৈ কেলিগোপাল শ্ৰেষ্ঠ।

**পাৰিজাত হৰণ ঃ** শংকৰদেৱৰ ছখন নাটৰ ভিতৰত পাৰিজাত হৰণ নাটখন নামধৰ্মৰ দিশৰ পৰা এখন শ্ৰেষ্ঠ নাট। বিজ্ঞমহলে এই নাটভাগক শংকৰদেৱৰ শ্ৰেষ্ঠ নাট বুলিও মত পোষণ কৰে। এই নাটখনৰ সংলাপ আৰু চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত শংকৰদেৱে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল।

পাৰিজাত হেন নাম অংক মহা অনুপাম
কৰিলা শংকৰ তাত পাছে।
ৰচিলন্ত অংক যেবে আনন্দ তেবে
মিলিগৈল দেখন্তে বিস্ময় ।।
(শংকৰ চৰিতঃ ৰামচৰণ ঠাকুৰ)

পাৰিজাত হৰণৰ মূল কাহিনীভাগ ভাগৱত পুৰাণ, বিষ্ণু-পুৰাণ, হৰিবংশ পুৰাণ আদিৰ পৰা লোৱা।

**ৰুক্মিণীহৰণ ঃ** ৰুক্মিণীহৰণ নাটভাগৰ কথাবস্তু মহাপুৰুষজনাই ভাগৱত পুৰাণৰ পৰা সংগ্ৰহ কৰিছে। শ্ৰীকৃষ্ণ আৰু ৰুক্মণীৰ প্ৰেম, ৰুক্মিণীৰ সয়ম্বৰ, ৰুক্মিণীহৰণ আদি কথাবস্তু নাটখনতে পোৱা যায়। এই নাটখনত থকা ৰুক্মিণীৰ সখী দুগৰাকী লীলাৱতী আৰু মদনমঞ্জৰী তথা দুজন ভাট হৰিদাস আৰু সুৰভী শংকৰদেৱৰ মৌলিক সৃষ্টি। ঠিক তেনেদৰে বেদনিধি নামৰ চৰিত্ৰটি আৰু তেওঁৰ সংলাপখিনি সৃষ্টিৰ ক্ষেত্ৰতো শংকৰদেৱৰ মৌলিকতাৰ পৰিচয় পোৱা যায়।

**ৰামবিজয় ঃ** মহাপুৰুষ শংকৰদেৱৰ শেষ নাটখন ৰামবিজয়। চৰিত পুথি মতে শংকৰদেৱে এই নাটৰ ৰচনাৰ কাম শেষ কৰিয়েই কাপ-কাঠি সামৰিছিল। তেওঁ ৰাম বিজয় নাটৰ শেষত শ্লোকত লিখিছে-

"শ্ৰীগোপালছত্ৰচ্ছায়ালালসমানসঃ।
শ্ৰী শুক্ৰঋজো নৃপশ্ৰেষ্ঠঃ কাৰায়ামাস নাটকম,
বিন্দুৰন্ধে বেদচন্দ্ৰশাকে শংক সংজ্ঞাকে
শ্ৰীৰামবিজয় নাম নাটকং ৰিদধেহধুনা ।।

ৰামবিজয় নাট ৰচনাৰ ক্ষেত্ৰত মহাপুৰুষজনাক শুক্লধ্বজ অৰ্থাৎ চিলাৰায়ে বহুক্ষেত্ৰত অনুপ্ৰেৰণা যোগাইছিল।এই নাটখনৰ ৰচনাৰ ক্ষেত্ৰত তথা উপস্থাপনক ৰুক্মিণী হৰণ নাটৰ লগত সাদৃশ্য দেখা যায়। ৰামায়ণৰ আদিকাণ্ডৰ পৰা এই নাটভাগৰ বিষয়বস্তু গ্ৰহণ কৰা হৈছে। ৰামবিজয় নাটখনত প্ৰধান চৰিত্ৰসমূহো কম পৰিসৰতে প্ৰকাশ কৰাত শংকৰদেৱৰ নাট্য প্ৰতিভাৰ উমান পোৱা যায়।

মহাপুৰুষ শংকৰদেৱৰ নাট্য প্ৰতিভাৰ নিদৰ্শন আমি তেওঁৰ ছয়খন নাটতে সমান্তৰালকৈ দেখা পাওঁ। সংস্কৃত নাটকৰ দুৰ্বোধ্যতাৰ পৰা আঁতৰত শংকৰদেৱৰ অংকীয়া নাটসমূহ থন ধৰি উঠিছিল। উল্লেখযোগ্য যে শংকৰদেৱৰ এই নাট্য প্ৰতিভাই অসমৰ পৰিধি ভাঙি ইতিমধ্যে বিশ্ব সভালৈ যাত্ৰা কৰিছে। শংকৰদেৱৰ নাটৰ চৰ্চা আজিৰ দৰে আগলৈও যদি বিশাল পৰিসৰত হৈ থাকে তেতিয়া হ'লে তেওঁক আন্তৰ্জাতিক পৰ্যায় এগৰাকী-প্ৰতিভাধৰ নাট্যকাৰ বুলি বিশ্বই-চন্দ্ৰ সূৰ্য্য থকালৈ সুঁৱৰি থাকিব।

নমঃ কৃষ্ণ বিষ্ণুহচ্যুতানন্দ শক্তে
নমো ৰাম ৰাজীৱনেত্ৰ প্ৰভোতে
নমো ব্ৰহ্মমূৰ্তে মূৰাৰে পৰেশ
নমো বিশ্ববাস প্ৰসীদ প্ৰসীদ ।।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
২। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
৩। হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত।■

# কৌটিলিঙ্গ মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য



হিমাংশু বৈশ্য
*প্ৰাক্তন ছাত্ৰ*

অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰাৰ এক অমূল্য অংশ হৈছে কামাখ্যা মন্দিৰ আৰু ইয়াৰ চাৰিওফালে বিস্তৃত নানান পবিত্ৰ স্থান সমূহ। কামাখ্যা ধামৰে অন্যতম এখন গুৰুত্বপূৰ্ণ আৰু মনোমোহা ধৰ্মস্থান হৈছে কৌটিলিঙ্গ মন্দিৰ।

নীলাচল পাহাৰত ভগৱান শিৱক আৰাধনা কৰা কেইবাটাও মন্দিৰ দেখিবলৈ পোৱা যায়। তাৰে ভিতৰত এটা হ'ল কৌটিলিঙ্গ মন্দিৰ। এই মন্দিৰলৈ যাবলৈ কামাখ্যা মন্দিৰৰ অন্তৰ্গত ছিন্নমস্তা মন্দিৰৰ কাষেৰে যাব লাগে। ছিন্নমস্তা মন্দিৰৰ কাষেৰে কেইটামান খ্‌টখ্‌টি ওপৰলৈ গৈ পুনৰ ২৩০টা খ্‌টখ্‌টি তললৈ নামি আহিলে কৌটিলিঙ্গ মন্দিৰ পোৱা যায়। 'কৌটিলিঙ্গ' শব্দৰ অৰ্থ হ'ল কৌটিটা শিৱলিঙ্গ। কৌটিতা লিংগ থকাৰ বাবে এই মন্দিৰৰ নাম কৌটিলিঙ্গ মন্দিৰ। বিশ্বাস অনুসৰি পৰশুৰামে এই মন্দিৰতে তপস্যা কৰিছিল। জনশ্ৰুতি অনুসৰি পৰশুৰামে মাকক হত্যা কৰাৰ পিছত চাৰিওফালে ঘূৰি ফুৰিছিল। এনেতে এদিন তেওঁ কৌটিলিঙ্গ মন্দিৰত থকা শিৱলিঙ্গ দেখা পালে আৰু এতিয়া থকা বৰ্তমান কুণ্ডতে নিজৰ হাত ভৰি আৰু অস্ত্ৰ ধুইছিল। সেয়েহে কৌটিলিঙ্গ মন্দিৰৰ কাষতে থকা কুণ্ডটোৰ নাম পৰশুৰাম কুণ্ড। তদুপৰি হাত ভৰি অস্ত্ৰ ধুই পৰশুৰামে এই মন্দিৰতে তপস্যা কৰিছিল বুলি জনা যায়। কোনো কোনো লোকৰ মতে এই মন্দিৰৰ উৎপত্তি প্ৰাকৃতিক ভূমিকম্প আদিৰ ফলত হোৱা বুলি কয়। কিছুমানৰ মতে কৌটিলিঙ্গ মন্দিৰ থকা ঠাইত পূৰ্বতে এটা ডাঙৰ মূৰ্তি আছিল। কৌটিলিঙ্গ মন্দিৰৰ শিলবোৰ তাৰে ক্ষতি হোৱা অংশ।



কৌটিলিঙ্গ মন্দিৰত সৰু-ডাঙৰ মুঠ শতাধিক শিলাখণ্ড আছে। শিলাখণ্ডবোৰৰ



ভিতৰত গুহাৰ সৃষ্টি হৈছে, য'ত প্ৰাকৃতিকভাৱে উৎপত্তি হোৱা প্ৰাচীন শিৱলিঙ্গ আছে। এই শিৱলিঙ্গৰ উৎপত্তি কামাখ্যা মন্দিৰৰ উৎপত্তিৰ সমসাময়িক বুলি ক'ব পাৰি। কৌটিলিঙ্গৰ মূল শিৱলিঙ্গটো দেখিলে শিলত খোদিত কৰি নিৰ্মাণ কৰা যেন লাগে। শিৱলিঙ্গটোৰ কাষতে এটা গুহা আছে, গুহাটোত কেইটামান খ্টখ্টি আছে সেইকেইটা খোদন কৰি নিৰ্মাণ কৰা হৈছিল। কৌটিলিঙ্গ মন্দিৰৰ শিলত খোদা ভাস্কৰ্যসমূহ অতি মনোৰম আৰু আধ্যাত্মিক দৃষ্টিৰে গুৰুত্বপূৰ্ণ। এই মন্দিৰত থকা ভাস্কৰ্যবোৰ প্ৰাচীন শিল্পকলাৰ নিৰ্দশন হিচাপে পৰিগণিত।কৌটিলিঙ্গ মন্দিৰৰ মূল শিৱলিঙ্গৰ কাষতে এটা গুহা আছে আৰু গুহাটোৰ কাষতে এটা শিলাখণ্ড আছে। য'ত শিলটোৰ দুটা কোণত দুটা গণেশৰ মূৰ্তি খোদিত কৰা আছে। দুয়োটা মূৰ্তিয়ে ভক্তসকলক আৰ্শীবাদ দিয়া মুদ্ৰাত আছে। মূৰ্ত্তি দুটা সেন্দুৰেৰে ৰঙা কৰি থোৱা হয়। গণেশ মন্দিৰৰ গুহাৰ ভিতৰত এটা গণেশৰ ভাস্কৰ্য আছে।গুহাৰ পৰা ওলায়ে শিলৰ মাজৰ অংশৰ এটি শিলাখণ্ডত শিৱৰ প্ৰিয় বাহন নন্দীৰ ভাস্কৰ্য খোদিত কৰা আছে। কৌটিলিঙ্গ মন্দিৰৰ বেৰত থকা চিত্ৰবোৰ স্থানীয় চিত্ৰশিল্পীয়ে কৰা চিত্ৰকলা। মন্দিৰৰ প্ৰৱেশ দুৱাৰৰ বেৰত পৰশুৰামে শত্ৰুৰ লগত যুদ্ধ কৰা এখন ছবি অংকন কৰা হৈছে। ভোগঘৰৰ বেৰতো শিৱ আৰু পাৰ্বতীৰ এখন সুন্দৰ চিত্ৰ অংকন কৰা হৈছে।

মূলতঃ গুৱাহাটীৰ নীলাচল পাহাৰৰ কৌটিলিঙ্গ এটি গুপ্ত গম্ভীৰ আৰু অলৌকিক স্থান। ইয়াত মূল ৰূপে এটা শিৱলিঙ্গ আৰু পাৰ্বতী শিলা থকা দেখা যায়, যিয়ে এই স্থানসমূহ এক তপস্যা আৰু ধ্যানৰ কেন্দ্ৰ হিচাপে পৰিগণিত কৰিছে। কৌটিলিঙ্গ মন্দিৰ কেৱল এটি তীৰ্থস্থান নহয়, ই হ'ল অন্তৰআত্মাৰ লগত সংযোগ স্থাপন কৰাৰ এক শান্ত সোপান। কামাখ্যা মন্দিৰৰ অন্তৰ্ভূক্ত এই শিৱস্থান একান্তভাৱে স্মৰণযোগ্য আৰু পূণ্যৰে পৰিপূৰ্ণ। ■



# পৰ্যটন কেন্দ্ৰ হিচাপে 'দুধকুঁৱৰী পীঠ'

**কিশোৰ দাস**
*প্ৰাক্তন ছাত্ৰ*

দক্ষিণ কামৰূপৰ মনোমোহা ঠাই সমূহৰ ভিতৰত অন্যতম হৈছে 'দুধকুঁৱৰী পীঠ'। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এখন এতিহ্যমণ্ডিত পাহাৰ হ'ল -দুধক্ষুৰা পাহাৰ। এই পাহাৰক পঞ্চতীৰ্থ পাহাৰ বুলিও কোৰা হয়। এই পাহাৰৰ গহ্বৰতে প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিৱেষ্ঠিত শান্ত নিৰিবিলি মনোমুগ্ধ পৰিৱেশৰ মাজত 'দুধকুঁৱৰী পীঠ' বিৰাজমান।

পৰ্যটনস্থলী 'দুধকুঁৱৰী পীঠ' কোন শতিকাত আৱিস্কাৰ হৈছিল তাৰ সঠিক তথ্য পোৱা নাযায়। অৱশ্যে ১৯০৫ চনত ৰাইজৰ দান বৰঙণি আৰু শ্ৰমেৰে 'দুধকুঁৱৰী পীঠ'ৰ মণিকূট, সভাঘৰ, ভোগঘৰ, ভৰাঁল ঘৰ, দেওধাইসকলৰ জিৰণি ঘৰ সাজি উলিওৱা হয়। সেই সময়ত মণিকূটৰ ওপৰত এটা কলচী আছিল, যিটো সোণৰ আছিল। পৰৱৰ্তী সময়ত ১৯৬০ চনত পুনৰ মন্দিৰৰ মণিকূটটো নতুনকৈ সাজি উলিওৱা হয়। দুধক্ষুৰা পাহাৰখন 'দুধকুঁৱৰী পীঠ'ৰ বাবে বিখ্যাত। যদিও গোটেই পাহাৰখনত বিভিন্ন দেৱ-দেৱীৰ স্থান আছে তথাপি ইয়াক পঞ্চতীৰ্থ বুলিও কোৰা হয়। মূলত শিৱ মন্দিৰ, গণেশ মন্দিৰ, হনুমান মন্দিৰ, শনি মন্দিৰ, কালী মন্দিৰ ইয়াত প্ৰধান। 'দুধকুঁৱৰী পীঠ'খন সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত। এই পীঠৰ চাৰিওদিশে পাহাৰ, গছ-গছনিৰে ভৰা। মাজতে এখন সমতল



ঠাই আৰু সেই ঠাইতে 'দুধকুঁৱৰী পীঠ'খন অৱস্থিত। দুধক্ষুৰা পাহাৰত বিভিন্ন ঔষধি উদ্ভিদ আছে। যিবোৰ অতীতৰে পৰা বিভিন্ন বেমাৰত পূৰ্বপুৰুষসকলে ব্যৱহাৰ কৰিছিল। 'দুধকুঁৱৰী' মূল পীঠৰ লগত সংলগ্ন হৈ থকা নিজৰাটিৰ পানীয়ে বাৰ মাহেই দেৱীৰ স্তন যুগল ধুৱাই প্ৰবাহিত হয়। এই নিজৰাটি ইমানেই আকৰ্ষণীয় যে ইয়াত খোৱা পানীৰ উৎস বহুত আছে। 'দুধকুঁৱৰী পীঠ'ৰ প্ৰাকৃতিক সৌন্দৰ্যই বহুতো লোকক আকৰ্ষিত কৰি আহিছে। ইয়ালৈ প্ৰতিদিনে বহুতো ভক্তপ্ৰাণ লোক আহে। বিশেষকৈ ইয়াৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ আৰু পূজা -পাতলৰ উদ্দেশ্যে ইয়ালৈ অনেক লোকৰ আগমন হয়। বছৰটোৰ বিভিন্ন সময়ত ইয়ালৈ আগমন ঘটা বিভিন্ন চৰাই-চিৰিকতিৰ মধুৰ মিঠা মাতবোৰে ভ্ৰমণকাৰীসকলক অপাৰ উল্লাস যোগায় নতুন প্ৰেৰণা দিয়ে। তদুপৰি পাহাৰখনত হাতী, বান্দৰ, কুকুৰ, শিয়াল,বন মেকুৰী আদি বিভিন্ন প্ৰজাতিৰ সাপ, কাছ দেখিবলৈ পোৱা যায়। গতিকে মনকৰিবলগীয়া যে ভৱিষ্যতে এই ঠাই ডোখৰ এক উল্লেখযোগ্য পৰ্যটন কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ বহু সম্ভাৱনা আছে।

পুৰণি কালত দুধক্ষুৰা পাহাৰখন অতি বিশাল আৰু বিভিন্ন প্ৰজাতিৰ গছ-গছনি, জীৱ-জন্তু বিৰাজমান আছিল। কিন্তু সময়ৰ সোঁতত সেইবোৰৰ সংখ্যা কমি যাবলৈ ধৰিলে। বৰ্তমান পাহাৰখনৰ মাটি খহাই সেই ঠাইত অনেক মানুহে বসতি কৰিবলৈ লৈছে। গতিকে চৰকাৰৰ ফালৰ পৰা এই পাহাৰখন সংৰক্ষণৰ উপযুক্ত ব্যৱস্থা ল'ব লাগে।■



# অযাচক আশ্ৰম আৰু আধ্যাত্মিকতা



**অভিষেক দেৱ**
*প্ৰাক্তন ছাত্ৰ*

গুৱাহাটীৰ অন্তৰ্গত অযাচক আশ্ৰম হৈছে এখন আধ্যাত্মিক সাধনাস্থলী, যিখন গুৱাহাটীৰ কাহিলীপাৰাত অৱস্থিত। এই আশ্ৰমখনে সাধাৰণ ধৰ্মীয় পৰম্পৰাৰ পৰা আতঁৰি আহি বেলেগ এক পৰিসৰ গঢ়ি তুলিছে। য'ত আত্ম-অনুসন্ধান, নৈতিকতা, নিষ্কমা সেৱা আৰু পৰম সত্যৰ সন্ধানক মুখ্য কৰ্ণধাৰ হিচাপে ধৰা হৈছে। 'অযাচক' শব্দৰ অৰ্থ হ'ল-'যিজনে কেতিয়াও ভিক্ষা নকৰে'। এই ভাৱধাৰাই আশ্ৰমখনৰ আধ্যাত্মিক জীৱন যাপন আৰু দৰ্শনৰ মূল আধাৰ। অযাচক আশ্ৰমত কোনো মূৰ্তি পূজা নাইবা ধৰ্মীয় প্ৰতিমাৰ ছবি নাই। ইয়াত সাধনা আৰু ধ্যানৰ মাজেৰে পৰম সত্য উপলব্ধি কৰা হয়। আশ্ৰমৰ ভক্তসকলৰ কোনো ধৰ্মীয় বা জাতিগত বাধা বিঘিনি নাই, তেওঁলোকে শান্ত আৰু অনুশাসন পূৰ্ণ জীৱন আশ্ৰমত অনুশীলন কৰে।


অযাচক আশ্ৰমখন গুৱাহাটীত ২০১৭ চনৰ মে মাহৰ ৯ তাৰিখে স্থাপন কৰা হয়। পৰম্পৰাগত ইটা, ৰঙা মাটি,ভীমশিলা আদি ব্যৱহাৰ কৰি আশ্ৰমখন নিৰ্মাণ কৰা



হয়। এইবোৰে স্থায়িত্ব, উষ্ণতা নিয়ন্ত্রণ আৰু পৰিৱেশৰ লগত সাদৃশ ৰক্ষা কৰে। প্ৰাকৃতিক সূৰ্যৰ পোহৰ বতাহ আদিৰ সুবিধা দিবলৈ ভৱনৰ গঠন খোলা আৰু বতাহ চলাচল যোগ্যকৈ নিৰ্মাণ কৰা হৈছে। লগতে আধুনিক সৌৰশক্তি, জল-সংৰক্ষণ পদ্ধতি, বৰষুণৰ পানী সদ্ ব্যৱহাৰ আদি কাৰ্য কৰা হয়। অযাচক আশ্ৰমৰ আন এক বিশেষত্ব হ'ল- ইয়াত এটা আয়ুবেদিক কক্ষ আছে। আশ্ৰমত নিকা পৰিৱেশ, বায়ু চলাচল ব্যৱস্থাৰ লগতে ভেষজ উপাদান সংৰক্ষণৰ উপযুক্ত সুবিধা আছে। তদুপৰি ভক্তসকলৰ বাবে পৃথক বিশ্ৰাম কক্ষ আশ্ৰমত দেখা যায় ।আনকি পাঠশালা আৰু ধ্যান কক্ষসমূহ সঠিকভাৱে বিভাজিত আৰু সুসংগঠিত।

অযাচক আশ্ৰম গুৱাহাটীৰ অন্তৰ্গত এক জীৱন্ত পৰম্পৰাৰ উদাহৰণ। যিয়ে প্ৰাচীন আধ্যাত্মিক অন্তদৃষ্টিৰে সমসাময়িক প্ৰয়োজনীয়তাক সংমিশ্ৰণ কৰাইছে। মূলত অযাচক আশ্ৰম এক আধ্যাত্মিক গৃহ নহয়, ই সামাজিক ন্যায়, সাংস্কৃতিক ঐতিহ্য আৰু অৰ্থনৈতিক স্বাৱলম্বনৰ পথ প্ৰদৰ্শক ৰূপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।■






# গল্প


- প্ৰাৰ্থনা | ড° বিজয়া বড়া
- ৰাজকুমাৰী | ড° লুনা বৰা
- মমতাৰ বিয়া | জেউতী ৰাণী শৰ্মা



# প্ৰাৰ্থনা

ড° বিজয়া বড়া
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

উফ! ধূপডালে কপালখন পুৰি দিলে, ধূপে পুৰিলে ছালখন বৰ দ কৈ পুৰি পেলায়... নিশ্চয় তাত থকা কেমিকেলৰ বাবে। ছালখনৰ পোৰণিত তাইৰ সম্বিৎ ঘূৰি আহিল।

আচলতে এই সময়খিনি আছিল ভগৱানৰ সময়। ঈশ্বৰক অৰ্পণ কৰা একান্ত সময়ত চাকিগছি জ্বলাই ধূপকাঠি জ্বলাবলৈ লৈ তাইৰ চকুৱে বিচনাখনত কে-ৰে-ট শব্দটো সন্ধান কৰিছিল। ঠিক তেতিয়াই তাইৰ মনটো ঈশ্বৰৰ চৰণৰ পৰা ক'ৰবালৈ উৰা মাৰিছিল।

এটা বিন্দুত কেন্দ্ৰ কৰি তাই অত বছৰে ঘূৰি আছে।ঠিক এটা বৃত্তৰ দৰে। এই বৃত্তৰ পৰিধিৰ পৰা তাই কোনো দিনে কক্ষচ্যুত হোৱা নাই। হ'বলৈ চেষ্টাও কৰা নাই। কেতিয়াবা কেতিয়াবা তাইৰ নিজকে নিৰুপমা বৰগোহাঞিৰ 'ভ্ৰষ্টলগ্ন' গল্পটোৰ মঞ্জুলা যেন লাগে। সময় কাৰোৰে বাবে ৰৈ নাথাকে। সময় মানুহৰ প্ৰকৃত শিক্ষক। সেই কথা তাই বাৰুকৈয়ে বুজি উঠিছে। আজিও তাইৰ মনটোৱে পাগলৰ দৰে চটফটাই থাকে। হস্পিটেলত দেউতাকৰ যন্ত্ৰণা দেখি তাই কৈছিল-'আৰুনো কিমান কষ্ট দিয়া, এই কষ্টৰ পৰা দেউতাক মুক্তি দিয়া।' সচাঁকৈয়ে প্ৰভুৱে তাইৰ দেউতাকক যন্ত্ৰণাৰ পৰা মুক্তি দিছিল। কিন্তু মাকক বিধবা কৰি তাইতো তেওঁক সিহঁতৰ জীৱনৰ পৰা চিৰদিনৰ বাবে দেউতাকক লৈ যাবলৈ কোৱা নাছিল। তাই ভুলকৈ প্ৰাৰ্থনা কৰিছিল নেকি ? তাই বুজি উঠিছে সন্তানৰ মূৰৰ পৰা পিতৃ-মাতৃৰ হাতখন নোহোৱা হৈ যোৱাৰ বেদনা। সেয়ে এতিয়া তাই তেনে প্ৰাৰ্থনা নকৰে। শাহুৱেকৰ এনে অৱস্থাতো তাই ভগৱানক তেওঁক মুক্তি দিয়াৰ প্ৰাৰ্থনা এবাৰলৈও কৰা নাই। অৱশ্যে তাইৰ শাহুৱেকলৈ খং নুঠা নহয়। তাই বিচাৰে মন্দিৰত ঘণ্টা ধ্বনি বাজিলে সকলোৱে হৰিৰ নাম লওঁক...শাহুৱেকেও পিছে...

থাপনাত বন্তি জ্বলাবলৈ গৈ মানুহে জানো এইবোৰ ভাবে! আচলতে তাইৰ খং উঠিছিল কাৰণ স্তুতি প্ৰাৰ্থনা একান্ত মনে হ'ব লাগে, খঙৰ স্থান তাত নহয়। এই স্থান হ'ল সকলোৱে কু অভ্যাস দমনৰ শিক্ষা লোৱা স্থানহে... ক্ষমা কৰা প্ৰভু।

তাই মনটোক দমন কৰি থাপনালৈ লৈ আহিল। এইবাৰ তাই পুনৰ চাকিগছিত তেল ঢালি আৰু চাৰিওফালে ধূপকাঠিৰ ধোঁৱাৰ সুগন্ধি চটিয়াই সকলোৰে বাবে দিনটোৰ মংগল কামনা কৰি কামত লাগিল।■



# ৰাজকুমাৰী

**ড° লুনা বৰা**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

ৰুমীৰ চকুত উদাসীন চাৱনি এটা লাগি আছিল। গোটেই আবেলিটো তাই আগফালৰ বাৰান্দাখনত বহি অতীত আৰু বৰ্তমানক তুলনা কৰি চাইছে। যোৱা এটা বছৰে তাইৰ জীৱনলৈ অনেক ধুমুহা আহিছে। সকলো হাত পাতি গ্ৰহণ কৰিলেও তাই পৰিৱৰ্তন বিচাৰে। মানৱীয় সম্পৰ্ক পৰিৱৰ্তনীয় বাবেই ৰুমীয়ে সিদ্ধান্ত কৰিছিল তাই এজন নতুন পুৰুষৰ লগত নতুন বন্ধনেৰে বান্ধ খাব।সপোনৰ আলি এটাইদি দুয়ো আগুৱাই গৈ ৰাজকুমাৰ ৰাজকুমাৰীৰ দৰে জী উঠিব।অৱশ্যে তাইৰ জীৱনত তাই ভবা বহুত কথাই অৰ্থহীন আৰু অলীক। জীৱনটোত জানি শুনি তাই আউল লগাব বিচৰা নাছিল। কিন্তু সময়ে কিজানি তাইক আউল লগাই না জল না স্থল কৰিছে।

স্কুলত পঢ়ি থকাৰ দিনতে তাই ল'ৰাজনৰ কথা ভাবে। এমূৰ কেকোঁৰা চুলি আৰু বুদ্ধিদীপ্ত চকু। গাঁৱলীয়া সৰলতাই ল'ৰাটোৰ মুখখন সদায় পোহৰাই ৰাখিছিল। যদিও কলেজলৈ যোৱা নাছিল, তথাপি গাঁৱলীয়া ডেকাজনৰ চিন্তাৰ পৰিধি চমৎকাৰ আছিল। ৰুমীয়ে এটা কথা উপলব্ধি কৰিছিল দুখীয়া যদিও ল'ৰাটোৰ আত্মসন্মান বৰ প্ৰবল আছিল। যদিও ৰুমীয়ে ল'ৰাটোৰ সৈতে এডাল সোণালী সূতাৰে বান্ধ খাই সপোনৰ বাটেৰে আগুৱাই যোৱাৰ সংকল্প লৈছিল তথাপি কথাটি কেতিয়াও তাক কোৱা নহ'ল।

মাক আৰু ককায়েকৰ সিদ্ধান্ত মৰ্মেই কলেজত পঢ়ি থকাৰ দিনতে ৰুমীৰ বিয়া হ'ল। বিয়াৰ লগে লগে সুখৰ সংসাৰ এখনৰ ধাৰণা এটা ৰুমীৰ মনলৈ আহিল। বিয়া হৈ কিমান মানুহে আচলতে সুখৰ সংসাৰ এখন পায়? সুখ নে দুখ অনুভৱ কৰিবলৈ সময় নোপোৱাকৈ বহু মানুহ ডেকাৰ পৰা বুঢ়া হয়।অনেক গাভৰু বিয়া হৈ পাকঘৰৰ মাজতে বন্দী হৈ থাকে। সুখী পৰিয়ালৰ দৈনিক কাৰ্য্যসূচীও কিজানি আমনিদায়ক আৰু একাকীত্বৰে ভৰা। সুখী হোৱাৰ সপোন দেখা ৰুমীয়ে বিবাহৰ পাছত অনেক মনোকষ্ট পালে। অৱশ্যে পাব নলগা বহু সমস্যাৰ মাজত ৰুমী বয়সতকৈ অধিক বুঢ়ী হৈ গ'ল। তাইৰ স্বামী অমলে কবিতা লিখিছিল। মাজে মাজে অমলে ৰুমীৰ আগত নিজে লিখা দুই এটা গল্পৰ কথাও কৈছিল। কলেজ শিক্ষক অমলৰ সকলো পৰিধি ৰুমীয়ে উপলব্ধি কৰিব পৰা নাছিল। বিবাহৰ পাছত দুটা বছৰে মানৱীয় আত্মীয়তা ৰুমীয়ে স্বামীৰ মাজত বিচাৰি পোৱা নাছিল। তাইৰ সুখ-দুখৰ খবৰ ল'বলৈ আজৰি নোপোৱা স্বামীয়ে নদী

আকাশ নতুবা সাগৰক লৈ ব্যস্ত আছিল। সাংসাৰিক জীৱনত ৰুমী আৰু স্বামীৰ মাজত চিন্তাৰ পাৰ্থক্য থাকিলেও তাই প্ৰতিদিন স্বামীৰ আলপৈচানত ব্যস্ত আছিল। অৱশ্যে আজি এটা বছৰে তাইৰ দৈনন্দিন জীৱন সলনি হৈ পৰিছে। কলেজলৈ গৈ থকাৰ বাটত হঠাতে হোৱা এটা দুৰ্ঘটনাত অমলৰ মৃত্যু হ'ল। অমলৰ মৃত্যুৰ পাছত ৰুমীয়ে বৰ অকলশৰীয়া অনুভৱ কৰিছিল। কিন্তু লাহে লাহে তাই অনুভৱ কৰিবলৈ ল'লে- অমলে তাইৰ জীৱনত কি নতুনত্ব দিলে? নিজৰ পৃথিৱীত ব্যস্ত থকা অমলে তাইৰ কথা এবাৰো নাভাবিলে, হয়তো ভাবিবলৈ সময়কে নাপালে। এতিয়া এটা বছৰে ৰুমীয়ে কেকোঁৰা চুলিৰ ল'ৰাটোৰ কথা ভাবে। তাই তিনিটা বছৰে লগ নোপোৱা কেকোঁৰা চুলিৰ ল'ৰাটোৰ সৈতে এতিয়া সপোনৰ ৰাজকুমাৰী হোৱাৰ কথা কল্পনা কৰে।■



# মমতাৰ বিয়া

**জেউতী ৰাণী শৰ্মা**
*প্ৰাক্তন ছাত্ৰী*

আজি মমতাৰ বিয়া। জীয়েকৰ বিয়া বুলি সাৰদিৰ গাত আজি তত্ নাই। ৰাতিপুৱাই উঠি ঘৰ চোতাল মচি থৈছে, বাৰীৰ পিছফালে থকা দুডাল সৰু কলপুলি আনি সন্মুখৰ বাহঁৰ জেউৰাখনতে বান্ধি দিলে। বাপুকণৰ ঘৰৰ কামকৰা ল'ৰা দুটাক এসপ্তাহ আগতেই কৈ থৈছিল সৰু সুৰা কামবোৰ কৰি দিবলৈ। সিহঁতৰো দেখোন এতিয়ালৈ খা-খবৰ নাই। দুৱাৰমুখত আমপাত কেইখিলামান আৰি সেন্দুৰৰ ফোট দুটামানো আঁকি দিলে। আজি তাইৰ মৰমৰ জীয়েকজনী কইনা হ'ব। সকলোৱে তাইক ৰ' লাগি চাব। সৰুৰে পৰা আজি ইঘৰত কালি সিঘৰত কাম কৰি ছোৱালীজনীক ডাঙৰ কৰিলে। কিমান যে হেঁপাহ আছিল ৰভাৰ তলত, উৰুলিৰ মাজত মমতাক এঘৰলৈ উলিয়াই দিবলৈ। আজি সাৰদিৰ বহু দিনৰ আশা এটা পূৰণ হ'ব। ইমানদিনে লোকৰ ঘৰত বনকৰা মাকৰ জীয়েক হৈ কষ্টত থাকিল, এতিয়া অন্ততঃ তাই এজন ভাল ল'ৰা পাব, এখন ভাল ঘৰ পাব। ইয়াতকৈনো এজনী মাকক আৰু কি লাগে। নঙলামুখত থিয় হৈ সাৰদিয়ে ভাবিলে গাঁৱৰে মহিলা কেইগৰাকীৰ এগৰাকীৰো দেখোন দেখা-দেখি নাই। ইফালে ছোৱালীজনীকো বাহিৰলৈ আনি নোৱাৰ লাগে। দুখীয়া ঘৰৰ ছোৱালী বুলিনো এনেকৈ অবহেলা কৰিব লাগেনে। এনেতে কাষৰ ঘৰৰ অঞ্জু সোমাই আহিল। উদুলি-মুদুলি হৈ থাকিব লগা ঘৰখন তেনেই নিমাওমাও হৈ আছে।সাৰদিয়ে হাঁহি মাৰি মাত লগালে— "আহক অঞ্জু বাইদেউ, আপুনি দেখোন পাক এটাও মৰা নাই।" অঞ্জু বাইদেৱে সাৰদিৰ মুখখনলৈ একেথৰে চাই আছে। তাইৰ কথা কামবোৰ দেখি শুনি তেওঁ ক'লে— "সাৰদি তুমি এইবোৰ কি কৰিছা? "মাততো তেওঁ কোনোমতেহে ওলাইছে।

-"কিয় বাইদেউ আজি মমতাৰ বিয়া নহয়, আপুনি পাহৰিলে নেকি?"সাৰদিয়ে আচৰিত হৈ সুধিলে। অঞ্জু বাইদেৱে কোনোমতে ওলাই আহিব খোজা চকুপানীখিনি চাদৰৰ আঁচলেৰে মচি ল'লে। তেওঁ থোকাথুকি মাতেৰে ক'লে —"নিজকে অলপ চম্ভালা সাৰদি,কিয় এনেকুৱাখন কৰিছা?"

—আজি মোৰ ছোৱালীজনীৰ বিয়া বাইদেউ, আৰু আপুনি এনেবোৰ কথা কিয় কৈ আছে মই বুজা নাই। মোৰ একেবাৰে সময় নাই, ইমান কাম পৰি আছে।"

অঞ্জু বাইদেৱে সাৰদিৰ গাত ধৰি জোকাৰি দিলে - "তোমাৰ ছোৱালীৰ আৰু বিয়া

নহয় সাৰদি, যোৱাকালি ৰাতিয়েই দৰাঘৰে বিয়াখন নাকচ কৰিছে। তুমি কিয় পাহৰি গৈছা ? মমতা কইনা হ'ব নোৱাৰে, তাই বদনামী হ'ল, বাস্তৱক মানি লোৱা সাৰদি।"

অঞ্জু বাইদেৱে আৰু চকুপানী ৰখাব নোৱাৰিলে। সাৰদি একেথৰে থিয় হৈ থাকিল। বজ্ৰপাত পৰাৰ দৰে কিহবাই যেন গোটেই গাতো ফালি নিছে। দুখীয়াৰ পদূলিতে সদায় দুৰ্ভাগ্যই খেলা কৰে। সাৰদিয়ে অঞ্জু বাইদেউলৈ চাই ক'লে - "দুৰ্ভাগ্যৰ বীজ নিজ হাতেৰে ৰূপন কৰি এতিয়া গছজোপালৈ চাই কান্দিনো কি হ'ব। জানে বাইদেউ মইয়ে তাইক সপোন দেখিবলৈ শিকালোঁ, আৰু মোৰ বাবেই আজি তাইৰ সকলো সপোন ভাঙি চুৰমাৰ হৈ গ'ল।" অঞ্জু বাইদেৱে কাষ চাপি আহিল। সাৰদিৰ বাহুত হাত থৈ তেওঁ লাহেকৈ সুধিলে - "আচলতে ঘটনাতো কি হৈছিল সাৰদি"

-"ক'ৰ পৰা আৰম্ভ কৰিম বাইদেউ, মোৰ জুই লগা কপালখনৰ কিমান বৰ্ননা দিম আপোনাক।"

মমতা ৩ বছৰীয়া হৈ থাকোতেই দেউতাক ঢুকাল। বিধবা হৈ দুখ কৰি বহি থাকিবলৈ সাৰদিয়ে আহৰিয়ে নাপালে। তাৰ আগতে তাইৰ মূৰত সোমাল মমতাক ডাঙৰ কৰাৰ চিন্তা। গিৰিয়েক নথকা তিৰোতা আৰু দেউতাক নোহোৱা ছোৱালীৰ ওপৰত মানুহৰ প্ৰয়োজনতকৈ বেছি চকু থাকে। সাৰদিয়ে মানুহৰ ঘৰত কাপোৰ ধোৱা, বাচন ধোৱা, ধান জৰা আদি কামবোৰ কৰি দুবেলা দুমুঠি যোগাৰ কৰে। লাহে লাহে মমতাৰ লগতে সাৰদিৰ সমস্যাবোৰো ডাঙৰ হৈ আহিল। পঢ়াত চোকা হোৱাৰ পিছতো তাই মমতাক বেছি পঢ়াব নোৱাৰিলে। পেটলৈকে টনাটনি পঢ়াৰ খৰচনো কেনেকৈ যোগাৰ কৰিব। দেউতাক জীয়াই থকা হ'লে সিহঁতৰ কষ্টবোৰ হয়তো কিছু কম হলহেঁতেন। গাঁৱৰ চৰকাৰী স্কুলৰ পৰাই মমতাই মেট্ৰিকটো পাছ কৰিলে। মমতা দেখিবলৈ সাংঘাতিক চকুত লগা। সেইবাবে তাইক লৈ মাকৰ চিন্তা, তাইক অকলে ঘৰত থৈ যাবলৈও মাকৰ ভয় হ'ল। গাঁৱৰ কেইবাটাও মানুহ ৰূপী শিয়ালৰ তাইৰ ওপৰত শেন চকু। তাৰে এটা হ'ল মহাজনৰ সৰু পুতেক ৰাজা। সি প্ৰায়ে মমতাক ৰাস্তাই ঘাটে দিগদাৰ দিয়ে। তাইক ভালপোৱাৰ প্ৰস্তাৱ দিয়ে। ধনী ঘৰৰ ল'ৰা একো ক'বও নোৱাৰি। এইবোৰৰ বিৰোধিতা কৰিবলৈও কাৰো সাহস নাই। কথাবোৰৰ উমান পাই সাৰদিয়ে মমতাক অকলে অহা যোৱাত বাধা দিলে।

এনেকৈ কিছুদিন যোৱাৰ পিছত মমতাৰ মোমায়েকৰ ঘৰৰ পৰা তাইৰ বিয়াৰ বাবে এটা প্ৰস্তাৱ আহিল। মমতাৰ মোমায়েকৰ লগত সাৰদি গৈ ল'ৰাৰ ঘৰ ওলাল। ল'ৰাৰ ঘৰৰ মানুহৰ এটাই কথা, এনেকুৱা এখন ঘৰৰ ছোৱালী বিয়া পাতি তেওঁলোকে কি পাব। যদি সিহঁত থকা ঘৰৰ মাটিখিনি তেওঁলোকক দিয়ে তেন্তে সম্পৰ্কটো হ'ব পাৰে।

সাৰদিয়ে তেওঁলোকৰ কথা মানি ল'লে। সাৰদিৰ মনৰ ভাব হ'ল মমতাক এনেদৰে ভয়ে ভয়ে কিমানদিন চকুৰ আগত ৰাখিব, তাতকৈ বিয়াখন হ'লে তাইৰ জীৱনটো সলনি হ'ব।তাই সুখত থাকিব। গতিকে হাতে ভৰিয়ে ধৰি হ'লেও ছোৱালীজনীক বিয়া দিব লাগে।তাইনো আৰু কেইটা দিন থাকিব। দিনে ৰাতিয়ে মানুহৰ ঘৰত কাম কৰি, দুই এপদ বস্তু বেচি হ'লেও সাৰদিয়ে বিয়াৰ যোগাৰ কৰিবলৈ ধৰিলে।

এদিন ৰাতিপুৱা সময়ত খবৰ আহিল মহাজনে সাৰদিক মাতি পঠাইছে। সাৰদি মহাজনৰ ঘৰলৈ গ'ল। মহাজনে সাৰদিৰ আগত এটা প্ৰস্তাৱ দিলে। তেওঁৰ সৰু পুতেক ৰাজাৰ বাবে মমতাক বিয়া কৰোৱাৰ প্ৰস্তাৱ। কথাষাৰ শুনি সাৰদিৰ ভৰিৰ পৰা মূৰলৈকে তিৰবিৰাই উঠিল। ৰাজা মমতাতকৈ বহুগুণে ডাঙৰ। সি আগতে বিয়া পতা, এটা ল'ৰাৰ বাপেক, তাৰ উপৰি মদাহী বুলিতো চিনাকি আছেই। সাৰদিয়ে মহাজনক ক'লে - "ক্ষমা কৰিব মহাজন দেউতা, দুখীয়া হ'লো বুলিয়ে মইতো মোৰ ছোৱালীজনীক জাৱৰত পেলাই দিব নোৱাৰো। তাৰ উপৰি মমতাৰ বিয়া ইতিমধ্যে আন ক'ৰবাত থিক হৈছে, আপুনি মোক বেয়া নাপাব।" কথাষাৰ কৈ সাৰদি পোনচাটেই মহাজনৰ ঘৰৰ পৰা ওলাই আহিল।

দহ পোন্ধৰ দিনমান পাৰ হৈ গ'ল। মমতাৰ বিয়াৰ দুদিন আগৰ ঘটনা। মমতাক কইনা সজাবলৈ সাৰদিয়ে প্ৰায় সকলো যোগাৰেই কৰিছে। ওচৰৰ মানুহখিনিক চাহ-জলপান খুউৱাৰ বাবেও ব্যৱস্থা কৰিছে। মমতাৰ চকুত অনাগত দিনবোৰৰ ৰঙীন স্বপ্ন। মাক জীয়েক দুয়োজনীয়ে পুৰণি দিনৰ কষ্টবোৰ পাহৰি ভাল দিনবোৰ হাঁহি মুখে আদৰিবলৈ সাজু হৈছে। গধূলি ৭:৩০মান বজাত মমতাক বস্তুবোৰ সামৰিবলৈ কৈ সাৰদি পদুলিমুখলৈ ওলাই আহি দেখিলে সিহঁতৰ পদূলিতে গাঁৱৰ মহেশ, যোগেনহতঁৰ লগত কেইটামান ডেকা থিয় হৈ আছে। সিহঁতে সাৰদিক দেখি মাত লগালে— "খুৰী আপুনি কেনিবা যায় নেকি? আমি আকৌ মমতাক মাত এষাৰ দিবলৈহে আহিছিলোঁ।"

-"অ হয় নেকি, মই আমাৰ ওচৰৰে আয়তী সকলক বিয়ালৈ নিমন্ত্ৰণ দি আহোঁ। তোমালোক ভিতৰতে বহাগৈ নহ'লে। মমতা ভিতৰতে আছে।"

কিন্তু নিয়তিৰ যে আছিল অন্য ইচ্ছা। ল'ৰাকেইটাক ভিতৰত বহিবলৈ কৈ গুচি আহোঁতে সাৰদিয়ে এবাৰো মন কৰা নাছিল যে সিহঁতৰ মাজত মহাজনৰ পুতেক ৰাজাও আছিল। গাঁৱৰে ছোৱালীজনীৰ প্ৰতি যে সিহঁতৰ ইমান জঘন্য মনোভাৱ আছে সেয়া সাৰদিয়ে কল্পনাও কৰা নাছিল। ৰাজা আৰু তাৰ লগৰকেইজন সোমাই গ'ল। মমতাক দেখি ৰাজাই এটা কুটিল হাঁহি মাৰিলে। ভয়তে মমতাৰ মুখেৰে মাত নোলাৱা হ'ল। "সাধাৰণ কাম কৰা মানুহ হৈ তোৰ আৰু মাৰৰ ইমান বাহাদুৰি, এতিয়া চাওঁ তোৰ বিয়া

কেনেকৈ হয়।" ৰাজাই মমতাৰ হাতত ধৰি চোচৰাই আনিলে। তাই কেৱল "মা" বুলি এটা শব্দহে কৰিব পাৰিলে। তাৰ পিছত আৰু তাইৰ আৰ্তনাদ কোনেও নুশুনিলে। চাৰি-পাচঁটা বাঘৰ মাজত এজনী হৰিণাৰ যি অৱস্থা হয় মমতাৰো একেই অৱস্থা হ'ল। কোনো দয়া নাই, মায়া নাই , এফালৰ পৰা আজুৰি নিছে তাইৰ শৰীৰৰ মঙহ। যেন ইমান দিনৰ পেটৰ ভোক নিবাৰণ কৰিছে সিহঁতে। ৰাতিৰ আন্ধাৰত মমতাৰ মাততো ক'ৰবাত হেৰাই গ'ল। নৰপিশাচ কেইটাৰ অত্যাচাৰত মমতাৰ জীৱটো কোনোমতেহে বাচি ৰৈছেগৈ। মজিয়াত পৰি ৰৈছে ক্ষত বিক্ষত এটা নিথৰ দেহ। খবৰতো ৰাতিৰ ভিতৰতে বিয়পি পৰিল। বিয়াখনো ভাঙিল।

অঞ্জু বাইদেৱে একো ক'ব পৰা নাই। তেওঁ কেৱল মাত্ৰ চকুপানী টুকিছে। সাৰদিৰ চকুযুৰি শুকান, নিস্তেজ। শেষ হ'বলৈ আৰু একো বাকী ৰোৱা নাই। বহাৰ পৰা উঠি সাৰদিয়ে ক'লে -" আপুনি বহক বাইদেউ, চাহ নোখোৱাকৈ নাযাব কিন্তু। মোৰ বহুত কাম আছে, আজি মমতাৰ বিয়া নহয়।"

তেওঁ থিয় হৈ চলচলীয়া চকুৰে সাৰদিৰ মুখলৈ চালে। সাৰদি ভিতৰ সোমাল। অঞ্জু বাইদেউ এখোজ দুখোজকৈ ওলাই আহিল। বতাহত দুৱাৰমুখৰ আমপাতবোৰ লৰি আছে, সম্মুখৰ কলপুলি দুটাও তেনেকৈয়ে থিয় হৈ আছে। সাৰদিয়ে ভিতৰত সোমাই শুই থকা জীয়েকক মাতিলে- "মমতা উঠ আকৌ, বিয়াৰ দিনা ইমান দেৰিলৈকে শুই নাথাকে। আজি তই কইনা হ'ব লাগিব নহয় "......... ■

# ২০২৫ বৰ্ষত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত বিভাগৰ কেইগৰাকীমান প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ আলোকচিত্ৰ



**কিশোৰ দাস**
গুৱাহাটী বিশ্ববিদ্যালয়



**সাগৰিকা দাস**
প্ৰাগজ্যোতিষ মহাবিদ্যালয়



**সোণালী স্বৰ্গীয়াৰী**
প্ৰাগজ্যোতিষ মহাবিদ্যালয়



**পংকজ দাস**
প্ৰাগজ্যোতিষ মহাবিদ্যালয়



**দীপা দাস**
প্ৰাগজ্যোতিষ মহাবিদ্যালয়



**প্ৰীতি দাস**
পাণ্ডু মহাবিদ্যালয়

# জোনাক

## ২০২৫ বৰ্ষৰ বিভাগীয় কাম-কাজৰ ৰেঙণি







ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা






কবি নীলমণি ফুকন স্মাৰক বক্তৃতা অনুষ্ঠান




হিন্দী দিৱস উদ্‌যাপন




সাংস্কৃতিক শোভাযাত্ৰা




ক্ষেত্ৰ অধ্যয়নৰ কেইখনমান আলোকচিত্ৰ

ছমহীয়া ডিজিটেল আলোচনী
প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২৫










কস্তুৰবা গান্ধী আশ্ৰমৰ কেইখনমান আলোকচিত্ৰ







অসম শিশু কল্যাণ সদন পৰিদৰ্শনৰ মুহূৰ্ত




আন্তঃৰাষ্ট্ৰীয় মাতৃ দিৱস উদ্‌যাপন




প্ৰাচীৰ পত্ৰিকা উন্মোচন

# জোনাক




# সমাপ্ত


ছমহীয়া ডিজিটেল আলোচনী
প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২৫